(The House divided )

Mr. Deputy Speaker :

Order, please, the result of the division is "Ayes-45; Noes-22". Leave to introduce the Bill is granted.

Shri Kamakhya Prasad Tripathi (Minister, Finance) :

I introduce the Bill.

Mr. Deputy Speaker :

The Bill is introduced. (Secretary, Assembly, read out the title of the Bill)

Shri Kamakhya Prasad Tripathi :

I beg to move that the Assam Appropriation (No. 1) Bill, 1971 be taken into consideration.

Shri Dulal Chandra Barua :

Point of order, Sir, before that the Governor's message is to be read.

Mr. Deputy Speaker :

I am reading out the message of the Governor -

Raj Bhavan

Shillong, the March, 1971

Under the Provision of Article 207 (3) of the constitution of India, I, Braj Kumar Nehru, Governor of Assam recommend that the Assam Appropriation (No. 1) Bill 1971 be taken into consideration by the Assam Legislative Assembly.

Sd/ Braj Kumar Nehru,
Governor of Assam"

Shri Hiralal Patwary :

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী মহোদয়ে যি খন বিধায়ক এই বিধান সভাত দাখিল কৰিছে সেই খনৰ পৰা মোৰ মনত এটা ধাৰণা হৈছে যে অসমৰ Finance বিভাগে বা চৰকাৰে অসমৰ জনসাধাৰণক এনেকুৱা এটা

অৱস্থাৰ মাজত ৰাখিব বিচাৰিছে যে তেখেতসকলে অসমৰ বিত্তিয় পৰিস্থিতি বুজি নাপায়। যোৱা বাজেট অধিবেশনত কোৱা হৈছিল যে ঘাটি বাজেট আৰু সেই ঘাটিও ১ কোটি ২ কোটি নহয় ভাৰতবৰ্ষৰ ভিতৰতে আটাইতকৈ বেচি আৰু সেই টকা কেনেকৈ পুৰা কৰিলে সেই বিষয়েও সদস্য সকলক জনোৱা নহল তাৰ উপৰি এই ১৩ কোটি টকা আকৌ কিছুমান বিভাগত খৰচ কৰিলে।

ভাৰতবৰ্ষৰ আন আন ৰাজ্যই ঘাটি বাজেট কেনেকৈ পুৰা কৰিব সেই-টোহে চিন্তা কৰে কিন্তু আমাৰ অসমৰ কাৰণে সেই বিষয়ে চিন্তাই নাই; তাৰ পাছত এতিয়া ১৩ কোটি টকা কৰ পৰা আনিব। এই Resource কৰ পৰা আনিব আৰু ৫০ কোটি টকাৰ লগত আৰু ১৪ কোটি টকা যোগ দিয়া হব নেকি? কিছুমান Item charged act ত দেখুৱাইছে আৰু কিছুমান দেখু-ৱাইছে vote on accounts. vote লবলৈ যাই আমি ৪৫ জনে দেখিছো কিন্তু এতিয়া গননা কৰক চোন কেইজন আছে? সিদিনা ৰাজ্যপালৰ ভাষনৰ দিনা কেৰাবাৰো টিলিঙা বজাই বজাই সদস্য আনিব নোৱাৰিলে, কেতিয়াবা আকৌ quorum নোহোৱাকৈ থাকে। ইয়াৰ কি ৰহস্য আৰু সদস্য সকলে কিয় আগ্ৰহ নকৰে? তেওঁলোকে টিলিঙা বাজিলেই আহে আকৌ ওলাই যায় ইয়াৰ কাৰণ হৈছে গনতন্ত্ৰৰ প্ৰতি তেওঁলোকৰ আস্থা কমি আহিছে তেওঁলোকে ভাবে speaker আৰু মুখ্যমন্ত্ৰী আছে তেওঁলোকে যি কৰে কৰক। নিজৰ সমষ্টিলৈ টকা দিবৰ কাৰণেহে তেওঁলোকে কাম কৰে মঙ্গলদৈ মহকুমাতে আটাইতকৈ বেচি বানপানী হয় এইকথা সকলোৱে জানে কিন্তু জনা স্বত্বেও ১২ বছৰে তাত বান-নিয়ন্ত্ৰন কাম কৰিবলৈ ৪০ হাজাৰ টকা দিছে এইটো কেনেধৰণৰ গণতন্ত্ৰ? এতিয়া আকৌ দেখা গৈছে আজি Tribal Area বুলি, কোকৰাঝাৰত ১৫৩ খন venture L. p. স্কুল আছে North Lakhimpur ত ১৪৭ খণ কিন্তু Mangalda ত ৭৮ খন কিয় এনেকুৱা হব লাগে? চৰকাৰে শিক্ষাৰ ক্ষেত্ৰটো একো যত্ন কৰা নাই কিন্তু আজি মাদ্ৰাজ আৰু কাশ্মীৰত M.A. পৰ্য্যন্তলৈ মাচুল মাফ দিয়া হৈছে আমাৰ ইয়াত কি কৰিছে? আমাৰ চৰকাৰে universal Democratic Society নিবিচাৰে নেকি? যদি সেইটো বিচাৰে তেনেহলে আমাৰ ইয়াত গণন্ত্ৰৰ কিয় এনে অৱস্থা হৈছে? venture স্কুলৰ কথাটো মই সিদিনা কৈছিলো আৰু পিছতো কম। কিন্তু কথাটো হৈছে চৰকাৰে কি বিচাৰে?

এনেকুৱা প্ৰশাসন চলালে নহব। অসমৰ জনসাধাৰণে এনেকুৱা প্ৰশাসন বিচৰা নাই। যদি সেইটোকে বিচাৰে তেন্তে গনতন্ত্ৰৰ অৱস্থা কি হব? গনতন্ত্ৰৰ প্ৰশাসন যিমান উন্নত হব লাগিছিল, সেইখিনি সদনৰ ভিতৰতো হোৱা নাই। আৰু বাহিৰতো হোৱা নাই।

মই ভাৰত চৰকাৰৰ স্কুলৰ বিষয়ে এটা কথা আগতেই কৈছোঁ। আৰু অলপ পাছতো ক'ম। কিন্তু প্ৰশ্ন হৈছে এই চৰকাৰৰ বিত্তীয় বিভাগে কাক টকা দিছে? এই গোটেই খিনি টকা মূখ্যমন্ত্ৰীক তেল দিবৰ কাৰণে দিছে।

( এটি স্বৰ ঃ তেলমানে কি তেল? )

তেল মানে মালিছ কৰা মিঠাতেল।

শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠী :

অসন্মান সূচক শব্দবোৰ সদনৰ ভিতৰত পাৰ্ধ্যমানে প্ৰয়োগ নকৰিলে ভাল। সন্মানসূচক শব্দ প্ৰয়োগ কৰক।

শ্ৰীহিৰালাল পাটোৱাৰী :

এতিয়া ইয়াৰ Item No. 56 ত আছে যে Irrigation আৰু E&D বিভাগত আছে। ৬,৩০,০০,০০ টকা আৰু Basic education ত আছে ২,১৪,০০০ টকা। ইয়াৰোপৰি আৰু কেইটা মান বিভাগ আছে। এই সকলো বিলাক টকা কেৱল মুখ্যমন্ত্ৰীক দিছে অসমৰ জনসাধাৰনক দিয়া নাই। আজি অসমৰ জনসাধাৰনক কেনেকৈ উন্নতি পথলৈ আগুৱাই নিব পাৰি সেইটো ভাবি চোৱা নাই, আজি যে অসমৰ ডেকা ল'ৰা বিলাক বেকাৰ অৱস্থাত আছে সেইটোলৈ লক্ষ্য কৰা নাই। মাদ্ৰাজৰ দৰে হাৰিয়ানৰ দৰে ঠাইত Cottege Industry ৰ কাৰণে শ্লগান গাইছে। কিন্তু আমাৰ ইয়াত কি কৰিছে, ব্ৰহ্মপুত্ৰৰ এটা কমিচন কৰিছে। কিন্তু মই কৈছো ব্ৰহ্মপুত্ৰতত Enbankment টিকিব নোৱাৰে। টিকিব পাৰিব যদিহে তাৰ পানীবোৰ consume কৰা হয়; তাৰ বাবেওতো একো ব্যৱস্থাই চৰকাৰে কৰা নাই।

অসমৰ মানুহবোৰে বিচাৰিছে—আমি সকলোৱে মিলিজুলি ভাই-ভাই হিচাবে থাকো, কিন্তু তাৰ ঠাইত এই চৰকাৰে সৃষ্টি কৰিছে জাতিভেদ, বৈষম্য আৰু সাম্প্ৰদায়িক মনোবৃত্তি ইত্যাদি। এইদৰে আজি অসমৰ গাওঁ অঞ্চলত শিক্ষাৰ

পোহৰ একেবাৰে পৰা নাই; মাত্র কেইজনমান লোকেহে পাইছে যিসকলে মন্ত্রী সকলৰ লগত ওতঃপ্রোতঃ ভাবে জড়িত হৈ আছে। কিন্তু কি কাৰণে আজি অসম চৰকাৰে কাশ্মীৰ আৰু মাদ্রাজৰ দৰে ডিগ্রী course ত ফ্রী education ৰ ব্যৱস্থা কৰা নাই কিয় ? এই বিলাক উন্নতিমূলক কার্য্য নকৰি এই চৰকাৰে কৰিছে মানুহৰ মাজত নানা বিভাজনৰ সৃষ্টি। উদাহৰণ স্বৰূপে কওঁ সিদিনাখন এটা স্কুলীয়া ল'ৰাক মই সুধিলো যে তুমি কোন জাতিৰ মানুহ ? সি কলে—"মই বঙালী জাতিৰ মানুহ। মই আকৌ সুধিলো বঙালীৰ ভিতৰত কি জাতিৰ ? সি কয় বঙালী জাতি। এইদৰে এই চৰকাৰে স্কুলীয়া ল'ৰা বিলাকৰ মাজতো বিভাজনৰ সৃষ্টি কৰিছে তাৰোপৰি জনসাধাৰণৰ মাজতো কেইটামান পিচপৰা জাতি সৃষ্টি কৰিছে। এই বোলে Scheduled Caste, Scheduled Tribes, Tribal Backward, Economic Backward অমোক Backward, তমোক Backward Backward after Backward যদি ইমানেই Backward class আছে তেন্তে এই চৰকাৰৰ তলত forward কোন ? forward আছে Limited কেইজনমান লোক—সেইয়া হল মাত্র ৩% p.c. বাকী ৯৭% p.c. ই Backward অর্থাৎ যি সকলে এই ৯৭%p.c. ৰ ওপৰত শাসন কার্য্য চলাই আছে। তেখেতসকলেই forward আৰু যি সকলে এই শাসক দলৰ লগত ওতঃপ্রোতঃ ভাবে জড়িত হৈ আছে সেই সকল কেতিয়াও Backward নহয়। এইদৰে forward, Backward Class সৃষ্টি কৰি হোজা জনসাধাৰণৰ মাজতো বিভেদ সৃষ্টি কৰিছে।

আৰু এটা কথা যে টংলা থানা "পুলিচ-ডাৰোগাই" excise বিভাগৰ এজন Tribal Inspector ক থানাৰ ভিতৰলৈ মাতি আনি হত্যা কৰিলে; কোনেও কব নোৱাৰিলে। অভিযোগ কৰা স্বত্বেও আজিলৈকে তাৰ কোনো বিচাৰ হোৱা নাই। Tribal বুলি এইদৰে অৱহেলা কৰাটো বৰ দুখৰ কথা। তাৰোপৰি এই টংলা থানাৰ বিষয়া সকলে ছোৱালী মাতি আনি থানাৰ ভিতৰত enjoy কৰে। এটা নহয়, দুটা নহয়, তিনিটা নহয়, চাৰি-পাঁচটা তেনেকুৱা case এতিয়াও আছে। এই বিলাক ছোৱালী আনে ভূটানৰ পৰা এইটো হ'ল আজি অসমৰ প্রশাসন ? আজি অসমৰ জনসাধাৰণে কি বিচাৰে ? পশ্চিমবঙ্গত গণতন্ত্রৰ প্রশাসন কি হৈছে আৰু পূব-পাকিস্তানত কি ঘটিছে ? শ্রীশেখ মজিবুৰ ৰহমানে কৈছে

হিন্দু সকলক "কাফেৰ" বুলি কোৱাৰ বাবে তাৰ লৰাই "কাফেৰ" নহয় বুলি আয়ুৱখানৰ কিতাপ এখন ফালি পেলাইছে আৰু আয়ুবৰ শাসনতন্ত্ৰ ভাঙি দিছে। কিন্তু আমাৰ ইয়াত কি দেখিবলৈ পাইছোঁ Tribal and Non-tribal ৰ মাজত Division ৰ সৃষ্টি কৰিছে। উদালগুৰিৰ ট্ৰাইবেল অঞ্চলত বান-বিধ্বস্তৰ সৃষ্টি হৈছে, কিন্তু উদালগুৰিৰ ট্ৰাইবেল সদস্যজনক সোধকচোন তাত কিবা চৰকাৰে সাহার্য্য দিছেনে ? কুৰ্ষী নদীৰ বানপানী নিয়ন্ত্ৰণৰ কাম চলি আছে, কিন্তু টকা দিয়া নাই।

সেই কাৰণে আজি চৰকাৰে অসমৰ সমস্যাবিলাক গণতন্ত্ৰ ভেটিৰ ওপ-ৰত ভিত্তি কৰি যদি Majority আৰু Minority Class বুলি গণ্য কৰে; তেন্তে ডাঙৰ ভুল কৰা হব আৰু ভবিষ্যতে নানা সমস্যাৰ সন্মুখীন হব লাগিব। অসমত আজি ৫০ বছৰে বসবাস কৰি থকা নেপালীসকলক ভাৰতীয় নহয় বুলি অসম চৰকাৰে বিবেচনা কৰি আছে। উদাহৰণ স্বৰূপে কওঁ যে তেজপুৰত কাম কৰা এজন উকিলে ৫০ বছৰ অসমত বসবাস কৰা এজন নেপালীক ভাৰতীয় নহয় বুলি কৈছে। আজি পাকিস্থানৰ মাজত নক্সালপন্থীৰ নামত ভাৰতীয় কিছুমান লোকৰ মনত পদাঘাট হানিছে। এক শ্ৰেণীৰ লোকে আন এটা শ্ৰেণীৰ মনত আঘাট কৰিছে।

শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠী ঃ

নক্সাল পন্থী বুলি কোনো এটা শ্ৰেণী অসমত নাই। এইটো সকলো শ্ৰেণীৰ পৰাই হব পাৰে।

শ্ৰীহীৰালাল পাটোৱাৰী :

এইদৰে বেল্লেগ বেলেগ কাণ্ড এই চৰকাৰে সৃষ্টি কৰিছে ; কিন্তু আচল পৰিস্থিতি বিলাক সংগ্ৰহ কৰিব পৰা নাই। আজি ডেকা সমাজৰ মাজত সমন্বয় সৃষ্টি কৰা নাই। থলুৱা লোককো বাহিৰা বুলিহে আখ্যা দিয়ে ; কিন্তু গাদীত বহি থকা কেইজন বাহিৰা নহয়নেকি ? যে জাতিয়ে-জাতিয়ে, গোষ্ঠীয়ে গোষ্ঠীয়ে আৰু শ্ৰেণীয়ে শ্ৰেণীয়ে অসমলৈ আহি থকা লোক সকল—S.P. বিলাক অফিচাৰ বিলাক আৰু Director বিলাক ? সেই সকলক জানো অসম চৰকাৰে বাহিৰৰ পৰা অনা নাই ? আজি যদি অসমৰ জনসাধাৰণৰ ওপৰত বিশ্বাস নাই তেন্তে এই চৰকাৰে কাক বিশ্বাস কৰিব ? আৰু অসমৰ থলুৱা সকলৰ ওপৰত বিশ্বাস নথকা চৰকাৰৰ গাদীত বহিবৰ কোনো অধিকাৰ নাই।

১৯৪৫ চনত যি অসমত যি ভুমি আইন পাচ কৰিছিল সেই খনৰ মতে মজতুৰ, মাৰোৱাৰী, বঙালী, নেপালী আদি সকলোৱেই বিদেশী লোক। এতিয়া ১৯৬৯ চনত যি ৰেভিনিউ আইন পাচ কৰিছে তাত মুছলমান নেপালী, মাৰোৱাৰী বিহাৰী, ৰাজস্থানী, হিন্দুস্থানী আদি সকলোৱেই যদি বাহিৰা লোক, তেন্তে ভিতৰুৱা কোন? আজি কি কাৰণত ৰেভিনিউ বিভাগে কিয় ইমান আইন পাচ কৰিছে। আজি আমাৰ যি সকল ভিতৰুৱা মানুহ আছে তেওঁলোকক মাটি দিছেনে? কোচ ৰাজবংশী চুতীয়া, আহোম, মিৰি আদি মাটি দিছেনে? নাই। দিয়া আমাৰ হুদা চাহাবে কোৱাৰ দৰেই বাহিৰৰ পৰা মানুহ আমদানি কৰিছে। মই যোৱা নিৰ্ব্বাচনৰ সময়ত ধুবুৰীত দেখিছিলো যে, তালৈ কিছুমান মৌলবী আমদানী কৰিছে। এই বিভাগটো ভাৰতৰ নহয়েই এইবিলাক ভাৰতৰ বাহিৰৰ। ইয়াৰ ফলত আমাৰ দেশত সম্প্ৰদায়িক সম্প্ৰীতিত আঘাট পৰিছে। ১৯৬০ চনত বঙালীৰ ওপৰত অত্যাচাৰ, ১৯৬৬ চনত হিন্দুস্থানীৰ ওপৰত অত্যাচাৰ চলাইছে। এতিয়া আকৌ ৫০ বছৰ ধৰি বসবাস কৰি থকা নেপালীৰ ওপৰত উচ্ছেদ চলাইছে আজি বিহালী, তেলীয়াগাৰ আদিৰ নেপালীয়েই অসমৰ যি কোনো মন্ত্ৰীতকৈ বেচি অসমীয়া। তেওঁলোকে অসমতে বসবাস কৰি অসমীয়া পঢ়িছে তথাপি অসম চৰকাৰে কৈছে অসমীয়া নহয়। you are doubtful Indian citizen আজি পশ্চিমবংগৰ দাৰ্জিলিংত হাজাৰ হাজাৰ নেপালী আছে। তাত তেওঁলোকে একতা কেনেকৈ কৰিব লাগে তাক দেখুৱাইছে। আজি অসমত কিছুমান মন্ত্ৰীয়ে ভ্ৰমণ কৰে—মংগলদৈৰ পৰা চমুৱাপাৰা চমুৱাপাৰাৰ পৰা মঙ্গলদৈ, মঙ্গলদৈৰ পৰা গুৱাহাটী আদি এনেকৈ programme কৰে। I have seen the programme Minister will visit Mangaldai, For emergency, Minister, Industries could not come আজি ২৬ জন মন্ত্ৰীয়ে কিহৰ কাৰণে ইমান Tour কৰে। এই ২৬ জন মন্ত্ৰী মিজো-পাহাৰলৈ গৈছেনে? বা গৈ কেতিয়াবা এই ভাই সকলক দেখা কৰিবৰ কাৰণে গৈছেনে?

Shri Biswadev Sarma :

কেইবাজন মন্ত্ৰীও গৈছে।

Shri Hiralal Patowary :

মাত্ৰ T.A. Bill বনাবৰ কাৰণেহে গৈছে। তেওঁলোকৰ সমস্যাৰ কথা বুজ লবলৈ যোৱা নাই। কেতিয়াবা মঙ্গলদৈত ৮/৯ জন মন্ত্ৰী গৈ একেলগে পায়গৈ আৰু থাকিবলৈ ঠাই নোপোৱা হয়। আগতে মন্ত্ৰীসকলৰ Tour Programme Gazzettee ত প্ৰকাশ কৰিছিল। ফলত M.L.A. সকলেও জানিব পাৰিছিল। কিন্তু এতিয়া M.L.A সকলে আহি কোনো মন্ত্ৰীকে নাপায়। আজিকালি Minister এ Programme কৰে। State Minister অমুক ......

Shri Biswadev Sarma :

এই বিলাক Appptoriation Bill ত নাই। এই সকলো বিলাক Item তে আছে।

Shri Kamakhya Prasad Tripathi :

Original Grant লৈ আহক।

Shri Harilal Patwary :

Item No. ১০ত আছে।

Mr. Dy. Speaker :

Mr. Patwary, time is fixed.

Shri Hiralal Patwary :

Bill ত Time fixed নহয়। No Time is not fixed.

Mr. Dy Speaker :

If necessary, I shall have to fix time.

Shri Hiralal Patwary :

এতিয়া মই কব বিচাৰিছো যে, মন্ত্ৰীসকলৰ Tour—Programme সকলোৱে জানিছিল। কিন্তু এতিয়া কোনেও নাজানে। এইটো মাত্ৰ মোৰ ভুমিকাহে। এতিয়া মই Item By Item আলোচনা কৰিম।

Mr. Dy. Speaker :

When it is taken clause by clause then you can speak item by item.

Shri Hiralal Patwary :

ইয়াত প্ৰশ্নতো হৈছে ঃ নংত

Mr. Dy. Speaker :

You confine yourself to particular point.

Shri Kamakhya Prasad Tripathi (Minister, Finance) :

Sir, may I point out, at page 89 of the Rules of Procedure and Conduct of Business it says, 'If an Appropriation Bill is in pursuance of a supplementary grant in respect of an existing service, the discussions shall be confined to the items constituting the same and no discusiion shall pe raised on the original grant nor the policy underlying it save in so far as it may be necessary to expoain or illustrate a particular item under discussion.

Shri Hiralal Patawary :

I know the rule. That is why I do not like to go item by item. I know that it is not the stage to discuss item by item.

এই ১৩ কোটি ৯৯ লাখ টকা বিচাৰিছে। এই বিলাক কেনেকৈ খৰছ কৰিব সেইটো নজনালে কেনেকৈ দিম ?

২ নম্বৰত কোন ঠাইত খৰচ কৰিব সেইটো জনাব লাগে।

শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠী :

এই সদনত Supplementary demand পাচ কৰি দিয়াৰ পাছত সেই টকা consolidated Fund ৰ পৰা খৰচ কৰা হয়। অন্যৰ পৰা নহয়। গতিকে এইটো পুনৰ সদনত আলোচনা কৰাৰ কোনো অৰ্থ নাই।

শ্ৰীহীৰালাল পাটোৱাৰী :

এইটো মই কব খোজা নাই। দ্বিতীয় কথা যে, বিত্তমন্ত্ৰী মহোদয়ে বাজেটৰ বিভিন্ন বিভাগৰ যেতিয়া দাভি ধৰে তেতিয়া এইবিলাক নাচায়নেকি ? ইয়াৰো পৰি ভেনচাৰ স্কুলৰ কথাটো-মই কৈছো যে, গুৱাহাটীত বিশ্ববিদ্যালয় আছে গতিকে অসমৰ প্ৰত্যেক গাৱঁতে প্ৰাইমেৰীস্কুল বিলাকেই একোখন বিশ্ববিদ্যালয়ৰ নিচিনা। গতিকে মই ঘোষণা কৰিছো যে, মন্ত্ৰীমহোদয়ে কিবা এটা সমিধান দিব। কিন্তু

মই জানো যে চৰকাৰে মোৰ জীৱনটো বিচাৰে। মোৰ কথাটো এইটোৱেই হ'ল যে, ৩১ মাৰ্চৰ ভিতৰত অসমত থকা ১ হাজাৰ ৪৯ খন ভেনচাৰ স্কুল যদি চৰকাৰে নলয় তেন্তে মই ৩১ মাৰ্চৰ ১০ বজাৰ পৰা এই বিধান সভাৰ সন্মুখত আমৰন অনশণ কৰিম।

Shri Dulal Chandra Barua :

Mr. Deputy Speaker, Sir while opposing the motion moved by hon'ble Finance Minister on the supplementary demands of Appropriation Bill, 1971, I want to make certain observations. Sir, it has become a chronic habit of the Government to come forward to place before this August House for vote this bill in the form of supplementary and excess damands. Sir, we have been repeatedly pointing out our observations and we have brought to the notice of the Government that there is something wrong in respect of preparing the budget of the State. We have also suggested that there should be some reorientation in the method of preparing the budget, otherwise there will be no end of such kind of supplementary demands. In the last session of this Assembly, we have also voted a huge amount under this particular head i.e. supplementary demands. In the same manner they have also come forward with Rs. 14 crores in the same form, to be voted by the House. But, Sir, if you go through the Audit Report, 1970, at page 45, you will find, on one hand in what way the Government is having such kind of supplementary demand or sanction from this House under different heads of expenditure and on the other hand how they miserably failed to collect arrears of revenues and taxes. Here, at page 45, it has

been stated that on 31st March 1969 18,797 assessment cases were pending without any action and the amount to be realised will be to the tune of Rs. 80 to 90 lakhs. This is concerning- The Assam Sales Tax Act, 1947, The Assam Finance (Sales Tax) Act, 1956 the Central Sales Tax Act, 1956 and the Assam ( Sales of Petroleum and Petroleum Products including Motor Spirit and Lubricants) Taxation Act. 1955. Again, Sir, you will find that the total outstanding upto 31st March 1969 is Rs. 1,95.78 lakhs of land revenue. Then again, in the arrears of taxation, they have shown that arrears in collection has been increased from year to year, but in practice, the Government machinery has not been geared up. The hon'ble Finance Minister wanted to raise the standard of machinery by increasing the staff, but still it is not functioning affectively. Now, Sir, you will be surprised to find that there is something wrong in the Assessment of sales tax. We have already pointed out that due to some discriminatory policy adopted by the Government in respect of taxation measure, the poor section of people are suffering whereas those capitalist groups who are sucking the blood of the poor people are being left scot-free from payment of taxes. The Public Accounts Committee has rightly pointed out during March 1969 how an assessing officer allowed in 3 cases the full exemption from paying sales tax on sale of cotton waste under the Assam Sales Tax Act 1947. "This is an example. In this way, If the tax collecting machinery or Government machinery has failed to collect arrears

of taxes from the persons concerned, I find no reasons under what moral right, the Government or the Finance Minister has come forward with fresh proposals of supplementary demands.

Shri Kamakhya Prasad Tripathi :

Sir, with regard to tax measures, I want to say that the hon'ble member is quite justified in his observation. But now we are discussing Appropriation Bill 1971. This bill has nothing to do with taxation measure. I have to incur certain expenditure and I am going to get it from the consolidated fund. So, your discussion should be limited to that point only.

Shri Dulal Chandra Barua :

Sir, on one side, you are asking money through this Appropriation Bill and on the other side, you are going to bring new budget proposals. It is afterall public money. Government have got enough money to provide for the need. As hon'ble member Shri Patwary has rightly pointed out how and in what way you are going to fill up the gap. But you are not able to realise the arrears of revenues and taxes.

Shri Kamakhya Prasad Tripathi :

If I realise it, it will be deposited in the Consolidated Fund and out of that fund we will get money to meet our needs. How, whether you are going to allow us to do so or not-only on that point you may discuss.

Shri Dulal Chandra Barua :

The Consolidated fund is also a public money. Sir, my

contention is that, on one side government have totally failed to collect the revenue from the revenue resources, that means, as Mr. Patwary has said-though he could not explain the matter properly. But his contention was quite correct that at the fag end, you showed a deficit, on the other hand you have collected money from every sphere like anything. My whole contention is, if you fill up the gap then we can vote in favour of you. We have been neglected in every sphere. The Government on political considerations allow revision after revision to some particular persons concerned.

Here it has been shown that upto the year 1968 arrear of land revenue is nearly 4,00, 5430 lakhs. It is a clear instance in what way the poor people are being exploited:

Shri Kamakhya Prasad Tripathi :

When there is a flood we should stay realisation of revenue that was the wish of the hon.members.

Shri Dulal Chandra Barua :

Yes, almost in all cases big people were given the remission. In Patasala there is a big man we used to call him Raishaib. He misappropriated Rs. 4,000/ but he has given blame to a Muharir. We know he has done it and unduly blamed the Muhorir. And even after that he was exempted from paying the revenue. If these things are allowed to continue then our democracy cannot function. It is a discriminatory policy adopted by the Govt. In our areas the people are still paying money and no exemption was allowed. Mr. Deputy Speaker pleaded for it and along with him we

have also pleaded and yet why no exemption was given to these poor pepole. Instead of exemption their lands were put to sale............

Shri Kamakhya Prasad Tripathi :

Can I get a reference where it was put to sale ?

Shri Dulal Chandra Barua :

In various flood affected areas. We were repeatedly urging upon the Govt. to give relief to the people. You have also granted a certain head for flood relief. But whether that has given any benefit to the people you did not ascertain. You may very well see that amount which has been spent in the name of the flood relief it not reach to the poor people till to-day. We have specifically discussed about the fact that atleast it has not given any benefit to the people in the Marigaon area. The hon. Chief Minister the other-day was speaking about it in Jorhat that flood relief will be given to the people immediately. But in fact no relief was given in the Jorhat Sub-division.

They are taking a big amount for flood protection but result will be nil. The Govt. of India has given 3 crores for Brahmaputra protection works but our liability to the contractors comes to near about 7½ crores of rupees. Where from the remaining portion will come they do not know. In Hatigarh area people are suffering extremely due to floods but no relief could be offered to them. Even there is no money for the construction of a sluice gate.

Shri Kamakhya Prasad Tripathi :

The actual amount is 6 crores

Shri Dulal Chandra Barua :

But what is the amount you are to pay to the contractors ? It is near about 7 crores. Now, Sir, the season is already over. No work can be taken up now and you will not be astonished if you find the people in begger's condition. Because of the bad policy of the Govt. We are suffering. I have seen in the paper that the Chief Minister is discussing with the Prime Minister about all these things. I doubt whether all these things will materialise. In respect of principle of distribution of grants to the colleges last time a stop-gap arrangement was made which is something like ad hoc grant or like that. Now, these colleges and institutions are going to be closed as there is no fund. A small amount has been earmarked for the schools and colleges which is too meagre. And the result is that even for these amounts people, teachers and professors used to come to Shillong stay there for days together to get the money passed. The hotels are full only with these people. Why should they come to Shillong and stay there indefinitely and spend lot of money for nothing: This is the way how our people are suffering. Are they not the citizeus of India ? Are they not our people ? If they are treated as Indians then why should they suffer like that. I know in the matter of distribution of grants to the schools and colleges political points are taken into consideration. Last time the Chief Minister had given his expressed opinion that the grants will be distributed monthly. Nothing was done so far. Therefore I on behalf of the

members of this side demand to give us the reasons for delay in distribution when these are rules and regulations for that. I am afraid this 14 crores which will come from the public exchequer will not benefit the people. This will benefit the capitalist who are exploiting the poor people.

Shri Kamakhya Prasad Tripathi :

I have got the information now. No revenue exemption was given to the Reishaib.

Shri Dulal Chandra Barua :

Yes, the police officials were asked not to proceed against him. Instructions were issued not to go against him. Kindly enquire about it. It is a fact, take it from me. We know Raisaheb. He is a nice gentleman. He gives 'salam' to every body irrespective of age. We are all very fond of him. But he has committed a criminal offence. Whoever commits criminal offence should not be allowed to escape and he or she should be punished.

## ADJOURNMENT

The House then adjourned for lunch till 2. P.M.

Mr. Deputy Speaker :

For the convenience of the House I think that time limit should be fixed for discussion of the Bill. Therefore, I fix 4 P. M. as the time limit for discussion of this bill in all its stages. I shall then give 15 to 20 minutes to the Finance Minister to reply, Thereafter I shall put the question so that the House can rise at 4. 30 P. M.

Shri Rothindra Nath Sen :

Has the time limit been fixed for discussion at consideration stage ?

Mr. Deputy Speaker :

There is no amendment to the clauses. Therefore at that stage there should not be a lengthy discussion. The discussion should be mainly on the consideration stage.

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :

মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, Appropriation-Bill ৰ কাৰণে ১৩ কোটি ৯৯ লক্ষ্য টকা Consolidated-Fund ৰ পৰা বিচৰা হৈছে। সেই টকা দিবলৈ যাওতে এই বিলাক শিতানত এতিয়ালৈকে যি খিনি টকা খৰচ কৰা হৈছিল বা খৰচৰ কাৰণে ধৰা হৈছে সেই কাম কাজ বিলাক আমি কিছু বিবেচনা কৰি চোৱা দৰকাৰ। কাৰণ এই কথাত আমি দেখিছো যে, এই বছৰত যি বিলাক উন্নয়ন মুলক শিতান বা যি বিলাক উন্নয়ন মুলক কাম সেইবিলাক প্ৰায়েই দেৱলীয়া হোৱাৰ উপক্ৰম হৈছে। বাহিৰৰ যি বিলাক স্কুল আছিল সেই স্কুল বিলাকক উপযুক্ত ভাবে এতিয়াও মঞ্জুৰী দিবপৰা নাই। যোৱাবাৰ বাজেট অধিবেশনৰ সময়ত চৰকাৰৰ পৰা এই কথা ঘোষণা কৰা হৈছিল যে, যি বিলাক স্কুলে তদৰ্থ মঞ্জুৰী পায় সেই স্কুল বিলাকক এটা নতুন নিৰিখত নতুন ভাৱে তদৰ্থ মঞ্জুৰী দিয়া হব যাতে স্কুল বিলাক পৰিচালনাৰ ক্ষেত্ৰত সুবিধা হয়।

শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠী :

মাননীয় সদস্যই জানে যে, বাজেটত যি দুই কোটি টকা ধৰা হৈছে তাক এই Appropriation Bill ৰ আলোচনাৰ যোগেদি মাননীয় সদস্যইও বঢ়াব নোৱাৰে বা মইও নোৱাৰো।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :

যোৱাবাৰ বিধান সভাত চৰকাৰৰ পৰা আশ্বাস দিয়া হৈছিল যে, তদৰ্থ মঞ্জুৰী প্ৰাপ্ত স্কুলক এটা নতুন নিৰিখত মঞ্জুৰী দিয়া হব—যাতে এই স্কুল বিলাকে পৰিচালনাৰ ক্ষেত্ৰত আত্ম নিৰ্ভশীল হব পাৰে। কিন্তু এতিয়ালৈকে সেই নতুন নিৰিখৰ মঞ্জুৰী চৰকাৰৰ পৰা পোৱাই হোৱা নাই। তাৰ লগে লগে স্কুল বিলাকক পৰিচালনাৰ কাৰণে তদৰ্থ মঞ্জুৰীয়েই হওক বা ঘৰ নিৰ্ম্মানৰ কাৰণেই হওক যি খিনি

সাহাৰ্য্যৰ প্ৰয়োজন সেইখিনি সাহাৰ্য্য দিব পৰা নাই। ইয়াৰ ফলত বহুটো স্কুল অচল হৈ গৈছে। বৰ্ত্তমান চৰকাৰৰ যি নীতি সেই নীতিত প্ৰদেশৰ শিক্ষা ব্যৱস্থাৰ অগ্ৰগতি হওক চাৰি সংকোচিত হবলৈ ধৰিছে। আজি ৰাতি পুৱাৰ আলো-চনাত এটা কথা স্পষ্ট ভাৱে দেখা গৈছে আমাৰ প্ৰদেশত ৰাজহ বিভাগৰ দ্বাৰা Famine Relief ৰ শিতানত যি খিনি টকা খৰচ হৈছে সেই খিনি উপযুক্ত আৰু সমভাৱে বিতৰন হৈছেনে নাই? সমগ্ৰ ৰাজ্যতে ২৪ লাখ টকা Test Relief ৰ কাৰণে দিছে তাৰ ভিতৰত কামৰূপ জিলাত ১১ লাখ টকা আৰু ৭ লাখ টকা অকল বৰপেটা মৌজাতে দিছে। বৰপেটা মহকুমাৰ ৰাইজে এই টকা পোৱাত আমাৰ আপত্তি নাই। কিন্তু ৰাজ্যখনৰ যি বিলাক অঞ্চলত বান-পানীয়ে যথেষ্ট ক্ষতি সাধন কৰিছে সেই সকলোবিলাক অঞ্চলতে Test Relief ৰ কাৰণে সমভাৱে টকা বিতৰন কৰা হৈছেনে ? আজি আমাৰ প্ৰদেশৰ যিবিলাক মহকুমা বা জিলাত বানপানীয়ে যথেষ্ট ক্ষতি কৰিছে তাৰ ভিতৰত শিৱসাগৰ মহকুমাত Test Relief ৰ কাৰণে ২½ লাখ টকা দিছে। আৰু বৰপেটাৰ তুলনাত শিৱসাগৰ জিলাৰ ক্ষতি কোনো গুনেই কম নহয়। গতিকে দেখা যায় Test Relief ৰ ক্ষেত্ৰত প্ৰয়োজনীয়তা বিচাৰ হোৱা নাই আৰু এই বিতৰন সমভাৱে হোৱা নাই। সেই দৰেই অনান্য ঠাইত যেনে উত্তৰ লক্ষীমপুৰ, ধেমাজি, আদিতো ক্ষতিৰ পৰিমানে Relief ৰ টকা পোৱা নাই। বিভিন্ন শিতানত আৰু Famine Relief এতিয়ালৈকে যি অৰ্থৰ ব্যয় হৈছে তাৰ বিতৰন প্ৰয়োজন অনুসাৰে নহৈ পক্ষপাতিত্ব মূলক হৈছে। এটা নীতিৰ ভিত্তিত এই টকা বিতৰন কৰা হলে যি বিলাক অঞ্চলৰ ৰাইজ ক্ষতিগ্ৰস্ত আৰু উপাৰ্জ্জন-ক্ষম নহয় সেই বিলাক অঞ্চলৰ মানুহ বিলাকে টকা পাব লাগিছিল কিন্তু সেই বিলাকে টকা পোৱা নাই। সেই দৃষ্টি কোনৰ পৰা এইটো পৰিলক্ষিত হয় যে, ক্ষতিৰ অনুপাতে সমভাৱে ক্ষতিগ্ৰস্ত অঞ্চল বিলাকৰ মানুহে টকা পোৱা নাই। শিৱসাগৰৰ কোৱৰপুৰ মৌজাৰও বানপানীয়ে যি ক্ষতি কৰিলে তাৰ ফলত ৰাইজৰ সৰহ ভাগৰে খেতি নষ্ট হল আৰু সেই অঞ্চলত খাদ্য সংকতৰ উপসমৰ কাৰণে মাত্ৰ ৮ খন সুলভ মুল্যৰ দোকান পাতিছিল। কিন্তু দুখৰ বিষয় সেই দোকান বিলাকত মাত্ৰ এবাৰ খাদ্য সম্ভাৰ যোগান দি আৰু দ্বিতীয় বাৰ দিয়া হলনে ? আন ফালে আমি দেখিছো নিৰ্ব্বাচনৰ লগে লগে বৰপেটা মহকুমাত যত তেনে ব্যৱস্থা

নাছিল তাতো তেনে সুলভ মুল্যৰ দোকান খোলা হল। বানপীড়িত অঞ্চল বিলাকত এই দৰে খাদ্যৰ যোগান ধৰাত আমাৰ কোনো আপৰ্ত্তি নাই। বৰপেটা ধেমাজ্জি আদিৰ যিসকল ৰাইজ দুৰ্দ্দশাগ্ৰস্ত সেই অঞ্চল বিলাকত এই দৰে সাহাৰ্য্য দিয়াত আমাৰ আপত্তি নাই বা বিনামুলিয়া খাদ্যও দিয়ক তাতো আমাৰ আপত্তি নাই। বৰপেটা ধেমাজি বা লক্ষীমপুৰ যতেই নহওক যি বিলক অঞ্চলৰ মানুহ দুখ দুৰ্দ্দশা গ্ৰস্ত সেহ মানুহ বিলাকৰ কষ্ট কমাবৰ কাৰণে কোনো এটা অঞ্চলত যদি সুলভ মুল্যৰ দোকান খুলি কেৱল মাত্ৰ এবাৰ খাদ্য সামগ্ৰীৰ যোগান ধৰি ২য় বাৰ নিদি বন্ধ কৰি অন্য ঠাইত নতুন কৈ খোলাৰ ব্যৱস্থা চৰকাৰে কিয় কৰিছে। গতিকে এইটো চাব লাগিব যে, Famine Relief ৰ নামত যিমান টকা চৰকাৰে দিছে প্ৰকৃত পক্ষে বানপানী ক্ষতিগ্ৰস্ত অঞ্চলৰ লোক সকলৰ মাজত বিতৰন হৈছেনে নাই? আজি Test Relief ৰ কাৰণে বা Famine Relief বা Rehabilitation ত যি টকা মঞ্জুৰী দিছে সেই টকা উপযুক্ত ভাৱে যত দৰ্কাৰ তত পাইছেনে? এই প্ৰসঙ্গত মই এই কথা কব খুজিছো যে শিৱসাগৰত পুনৰ সংস্থাপনৰ কাৰণে যি টকা বিতৰন কৰা হৈছিল তাৰ ভিতৰত যি বিলাক পৰিয়ালে ৫০ টকাকৈ পাইছে তেওঁলোকে প্ৰকৃততে ৫০ টকা পোৱা নাই। কাৰণ এই হাৰ নিৰ্দ্ধাৰণ কৰোতে S.D.C. বা তদন্তকাৰী কৰ্ম্মী সকলক শতকৰা ১০ পৰা ২০ লৈকে দি বাকী থিনি তেওঁলোকে পাই। গতিকে মোৰ বিশ্বাস যি বিলাক বিভিন্ন শিতানত টকা বিতৰন কৰা হৈছে সেই বিলাক টকা সৎ প্ৰকৃততে সৎ ব্যৱহাৰ হৈছেনে নাই সেইটো চিন্তা কৰিব লগিয়া।

আৰু এটা কথা এই বছৰত বানপানী নিয়ন্ত্ৰনৰ কাৰণে ৬ কোটি টকা বিচৰা হৈছে। কিন্তু দুৰ্ভাগ্য্যৰ কথা যে আমাৰ অসম ৰাজ্যত এই বছৰ, যি বছৰৰ বানপানীৰ প্ৰকোপে সকলোতকৈ বেচি ক্ষতি কৰিলে, যি বছৰত বানপানী নিয়ন্ত্ৰনত সৰ্ব্বাধিক গুৰুত্ব দিয়াৰ প্ৰয়োজৰ আছিল এই বছৰত বান পানী নিয়ন্ত্ৰনৰ কোনো ব্যৱস্থা কাৰ্য্যকৰী কৰিব পৰা নাই। আনকি যি বিলাক মঠাউৰী বান-পানীয়ে চিঙিলে সেই বিলাক বন্ধ কৰা নাই। আৰু কিছুমানত এতিয়া মঠাউৰী বন্ধাৰ কাম আৰম্ভ কৰিছে যদিও ৩১ মাৰ্চৰ আগত সেই বিলাক সম্পূৰ্ণ হব নোৱাৰে আৰু তাৰ ফলত এই টকাৰ সৰহ ভাগেই অপচয় হব। এই মঠাউৰীৰ চিঙাবিলাক বন্ধ কৰা আৰু নতুন মঠাউৰি বন্ধাৰ কাম অহা বাৰিষাৰ আগতে সম্পূৰ্ণ কৰিব

নোৱাৰিলে অসম উপত্যকাৰ দুই পাৰৰ লাখ লাখ মানুহৰ বিপৰ্য্যয় হব, এইটো অনিবাৰ্য্য, এই ক্ষেত্ৰত হয়তো চৰকাৰে কব যে কেন্দ্ৰীয় চৰকাৰে যি টকা দিব লাগিছিল সেই টকা পোৱা নাই। এতিয়া মুল কথা হৈছে যে কেন্দ্ৰীয় চৰকাৰে দিয়ক বা নিদিয়ক সেইটো কথা নহয় এখন ৰাজ্যৰ ৰাইজক বানপানীৰ কবলৰ পৰা ৰক্ষা কৰাৰ মুখ্য দায়িত্ব ৰাজ্যিক চৰকাৰৰ কেন্দ্ৰীয় চৰকাৰৰ নহয়। চৰকাৰী হিচাপ মতে যোৱা বছৰৰ বানপানীয়ে আমাৰ ৰাজ্যত ১৩ কোটি টকাৰ ক্ষতি সাধন কৰিলে অথচ এই বান বিধ্বস্ত লোক সকলক ৰক্ষাৰ কাৰণে চৰকাৰে যি ব্যৱস্থা লব লাগিছিল সেই ব্যৱস্থা চৰকাৰে লোৱা নাই। সেই কাৰণেই মই এইটো কথা এনে ভাৱে কৈছো।

শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠী :

ইয়াত মাত্ৰ ৬ কোটি টকাৰ মঞ্জুৰী দিছে। ইয়াৰে বান নিয়ন্ত্ৰনৰ কাম সম্ভব নহয়। গতিকে ৬ কোটি টকাৰ মঞ্জুৰী দি ১০০ কোটি টকাৰ কথা কোৱাৰ কোনো লাভ নাই। এই কথা বজেট আলোচনাৰ সময়ত কৰিলে ভাল হব।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :

মই কব খুজিছো যে এই বাজেট অহা বছৰৰ কাৰণে ধৰা হৈছে। কিন্তু এই বছৰ বান নিয়ন্ত্ৰনৰ কাম ৩১ মাৰ্চৰ ভিতৰত শেষ হব লাগিব। এই টকাৰে দিয়াৰ দায়িত্ব ৰাজ্যিক চৰকাৰৰ। ইয়াৰে অসমৰ ৰাইজক বানপানীৰ পৰা ৰক্ষা কৰিব লাগিব। এতিয়া বিত্তমন্ত্ৰী ডাঙৰীয়াই কৈছে যে চৰকাৰৰ হাতত ইমান টকা কত ? এই কথাৰ আলোচনা মই পিচত কৰিম। এই ক্ষেত্ৰত মই বিত্তমন্ত্ৰী ডাঙৰীয়াক কব খুজিছো যে, ১৯৭০ চনৰ যি Audit Report সেই Audit Report ত আমাৰ বিভিন্ন বিভাগত যিমান টকা পইচাৰ অপচয় হৈছে তাৰ বিৱৰণ দিয়া হৈছে। গতিকে আমাৰ প্ৰদেশত যদিও টকা নাই নাই বুলি কোৱা হয় সেই কথা সচা নহয়। Audit Report ৰ ৭২ পৃষ্ঠাত এতিয়ালৈকে বিভিন্ন শিতানত বিভিন্ন বিভাগত ৪৬,৪০, ৯৯০০০ হাজাৰ টকাৰ Audit আপত্তি আছে। এই টকাৰ আপত্তি এতিয়ালৈকে বিভিন্ন বিভাগে দৰ্শাব পৰা নাই। ইয়াৰ কিছু নতুন আছে যদিও সৰহ ভাগেই ১০/১৫ বছৰৰ আগৰ টকা। বিভিন্ন বিভাগে ইয়াৰ কোনো এতিয়ালৈকে আপত্তি দৰ্শাব পৰা নাই। প্ৰত্যেক বছৰে এই আপত্তি

বাঢ়ি গৈছে। ১৯৬৮ চনত ৩৯ কোটি ৯১ হাজাৰ, ১৯৬৯ চনত ৭৫ কোটি ৫৩ হেজাৰ আৰু ১৯৭০ চনত ৪৪ কোটি ৪১ হাজাৰ টকাৰ Audit আপত্তি আছে এই বিলাক টকা ১৯৬৪/৬৫ চনৰ আগৰ টকা ; এই বিলাক টকাৰ কোনো হিচাব নাই। কিছুমানৰ অফিচাৰেই নাই। এতিয়ালৈকে হিচাব মিলাব পৰা নাই। এই বিলাক কিয় হবলৈ পালে ? ১৯৬৫ চনতে যিবিলাক টকা খৰচ হ'ল এই বিলাক টকাৰ voucher ১৯৭০ চনতো দিব নোৱাৰৰ কোনো কাৰণ নাই। যোৱাবাৰ বিতৰ্কৰ সময়ত বিত্তমন্ত্ৰীয়ে কৈছিল যে কিছুমান বস্তু কিনাৰ সময়ত Voucher পোৱাৰ অসুবিধা হয়। কিন্তু ১৯৬৪/৬৫ চনত যি পইছা খৰছ কৰা হ'ল তাৰ Voucher ১৯৭০ চনত নোপোৱাৰ কিবা কাৰণ আছে নে ? কোনো কাৰণ নাই। সেই কাৰণে Audit তে মন্তব্য কৰিছে যে—

Audit Report 1970

The amounts held under objection for want of detailed contingent bills represent advances drawn on abstract contingent bills for which detailed accounts have not been submitted. Some of the objections date back to 1944-45. The detailed contingent bills, containing full particulars of expenditure incurred with supporting documents and receipts, countersigned by the controlling authority are required to be furnished to Audit in the month following the month of drawal of the amounts. Delay in furnishing the detailed bills means that the expenditure remains unaudited for long. Non-submission of detailed bills in time may also result in fraud, defalcation, etc...."

এইবিলাক খৰচ সম্পৰ্কে অডিটে এইদৰে মন্তব্য কৰিছে।

"The amounts held under objections for want of vouchers, sub-vouchers and payees' receipts represent expenditure incurred but which could not be admitted in audit owing

to non-submission by the disbursing officers of vouchers, supporting accounts and or stamped receipts of the payees. Consequently, it cannot be verified that the amount had been properly spent and paid ; non-submission or delay in submission of these records may result in misappropriation, unauthorised expenditure, etc..."

অডিটৰ আপত্তি মতে ইমান কোটি যে খৰচ হৈছে তাৰ কোনো হিচাব পত্ৰ নাই। গতিকে এই বিলাক টকা যে অপচয় হৈছে তাত সন্দেহৰ থল আছে। কিন্তু টকা বিলাক যে খৰছ হল তাৰ receipt দিব নোৱাৰাৰ কোনো কাৰণ নাই। গতিকে আমাৰ চৰকাৰৰ হাতত টকা নাই এই কথা সত্য নহয় আৰু Adudit এ report তাক প্ৰমান কৰিছে। গতিকে আমাৰ আৰ্থিক অৱস্থা দেউলীয়া অৱস্থালৈ যোৱা দেখিছো। বিভিন্ন শিতানত যি বিলাক টকাৰ পৰিপূৰক মঞ্জুৰী বিছাৰিছে তাৰ কাৰণে আমি নিশ্চয়তা পাব লাগিব এই টকা বিলাক যে খৰছ হব সেই বিলাক উপযুক্ত ভাৱে আমাৰ দেশৰ উন্নয়নৰ কাৰণে বা জনসাধাৰণৰ উন্নয়ণৰ কাৰণে খৰছ কৰা হবনে নহয়। বিত্তমন্ত্ৰী মহোদয়ে অবশ্যে কৈছে যে তেখেতসকলে আৰ্থিক অনাটনৰ কাৰণে কাম কৰিব পৰা নাই।

( সময়ৰ সংকেত )

আৰ্থিক অনাটন অবশ্যে সকলো বিষয়তে হোৱা নাই। মন্ত্ৰী সভাৰ সংখ্যা বঢ়োৱাৰ ক্ষেত্ৰত আৰ্থিক অনাটন হোৱা নাই।

আগতে আমাৰ মন্ত্ৰী সংখ্যা আছিল ৯জন তাৰ পিচত হ'ল ১৯ জন আৰু এতিয়া ২৫ জন হৈছে।

২৬ জন মন্ত্ৰী হওঁক কিন্তু চৰকাৰী টকা নাই বুলি জানো ভ্ৰমণ নিয়ন্ত্ৰণ কৰিছে ? আজি কালি প্ৰত্যেক মহকুমাতে এনে এটা দিন বাদ পৰা নাই য'ত কমেও এজনকৈ মন্ত্ৰী থকা নাই। অফিচাৰ সকলে কাম কৰিব নোৱাৰে কাৰণ তেওঁলোকে মন্ত্ৰীসকলক দেখা কৰিব লাগে। ভ্ৰমন কৰাত আপত্তি নাই—যদি কিবা ৰাইজৰ কাম হ'ল হেতেন কিন্তু ভ্ৰমন মানে ৰাজহুৱা টকাৰ অপচয় বাহিৰে

অইন একো কাম হোৱা নাই। গতিকে যিটো পৰিপূৰক মঞ্জুৰীৰ বিল আনিছে সেই সন্দৰ্ভত আমি নৈতিক দায়িত্ব পালন কৰাৰ নিশ্চয়তা পাব লাগিব। আমাৰ প্ৰদেশত শিক্ষাসম্প্ৰসাৰণৰ ক্ষেত্ৰত; শিক্ষানুস্থান পৰিচালনাৰ ক্ষেত্ৰত; বানপানীৰ উপদ্ৰপৰ পৰা জনসাধাৰণক ৰক্ষা কৰাৰ ক্ষেত্ৰত যি দায়িত্ব চৰকাৰে পালন কৰিব লাগিছিল সেই দায়িত্ব পালন কৰিব পৰা নাই। আনহাতে যিমানেই টকা নিদিয়ক কিয় ইয়াৰ সৎ ব্যৱহাৰৰ চৰকাৰৰ পৰা কোনো প্ৰতিশ্ৰুতি বা আশ্বাস নাই। কিন্তু ৰাইজৰ উন্নয়নৰ কাৰণে যাতে ভালকৈ কাম কৰিব পৰা যায়, তাৰ প্ৰতি দৃষ্টি ৰখা উচিত। আৰু ইয়াৰ এটা সুস্পষ্ট আশ্বাস আমাক লাগে। ইয়াৰ উত্তৰ বিত্তমন্ত্ৰীয়ে কি দিব তাক জানো যে আমাৰ হাতত টকা নাই— সেই কাৰণে কাম কৰিব পৰা নাই।

প্ৰত্যেক বছৰেই বিত্তমন্ত্ৰী মহোদয়ে এটা চিৰাচৰিত উত্তৰ দিয়ে। কিন্তু বিভিন্ন শিতানত কিমান টকা অপচয় হৈ আছে সেই কথা বিত্তমন্ত্ৰী ডাঙৰীয়াই লক্ষ্য নকৰে। এই খিনি কথাকে কৈ মই চৰকাৰৰ পক্ষৰ পৰা পৰিপূৰক শিতানত অনা মঞ্জুৰী বিল খনৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

এম, ছামছুল হুদা :

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সদনত বৰ্ত্তমান যি Appropriation বিল দাঙি ধৰিছে তাৰ ওপৰত মই কেইটামান কথা কব খুজিছোঁ। আজি যদিও কংগ্ৰেছ চৰকাৰে সমাজতন্ত্ৰ আৰু গণতন্ত্ৰৰ দোহাই দিয়ে তথাপি আমি দেখিবলৈ পাইছোঁ এই চৰকাৰে নীতিগত ভাৱে টকা খৰছ কৰা নাই। সমাজ বাদৰ ধ্বনি কৰিছে যদিও প্ৰকৃততে পূজিবাদহে চলাইছে আজি ৰাজহুৱা ধন খৰছ কৰাৰ ক্ষেত্ৰত চূড়ান্ত ভাৱে পক্ষপাতিত্ব কৰা হৈছে। ইংৰাজ সকলে যাক Nacked Partiality বুলি কৈছিল। উলঙ্গ পক্ষপাতিত্ব, নিলৰ্জ্জ পক্ষপাতিত্ব। ২৪ লাখ টকা Famine Relief ত ধৰিছে যদিও নগাওঁ জিলাত হলে টকা পাবলৈ নাই। চেক্ৰেটাৰী বা উপায়ুক্তক সুধিলে কয় A Neagardly Kasiya is siting there অকল কামৰূপতেই ১১ লাখ টকা, দিছে কিন্তু নগাওঁত মাত্ৰ ২ লাখহে টকা দিছে। ইয়াকে কয় উলঙ্গ পক্ষপাতিত্ব। এই চৰকাৰক সমাজ-তন্ত্ৰবাদী চৰকাৰ বুলি কব নোৱাৰি। এই চৰকাৰ ৰাইজৰ, জনসাধাৰণৰ

ৰক্ত শোষণ কৰা চৰকাৰ। পথাৰত হাল বাই খেতি কৰি জীৱিকা উপাৰ্জ্জন কৰা লোক সকলৰ তেজ শোষণ কৰা চৰকাৰ। আজি সমাজতন্ত্ৰৰ নামত Capitalism চলিছে। যদি কিবা উপকাৰ হৈছে তেন্তে মন্ত্ৰীসকলৰ বিষয়া সকলৰহে উপকাৰ হৈছে। মন্ত্ৰী সকলৰ ভ্ৰমন বানচত কিমান টকা খৰছ হয় সেইটো তেওঁলোকৰ লক্ষ্যত নপৰে। ২৬ জন মন্ত্ৰীয়ে দৈনিক ২৬ ঠাইত থাকি কিমান টকা খৰছ কৰিছে সেইটো তেওঁলোকৰ বোধগম্য নহয়। মহকুমাধিপতি, ডিপুটি কমিশ্যনাৰ আদিয়ে লম্বা লম্বা চেলাম জনাই তেওঁলোকৰ পিচে পিচে ঘূৰি ফুৰিব লগা হোৱা বাবে ৰাজহুৱা কামতো বাধা জন্মিছে। আগে পিচে অফিচাৰ নহলে মন্ত্ৰী সকলেও কাম কৰিব নোৱাৰে। ১৩ জনৰ ঠাইত ২৬ জন মন্ত্ৰী হবলৈ টকাৰ অভাৱ নহয়, কিন্তু L.P. School ৰ শিক্ষকসকলক দৰমহা দিবলৈ হলে টকা নোহোৱা হয়। মন্ত্ৰীৰ গাড়ী কিনিবলৈ ভ্ৰমণ-বানচ দিবলৈ টকাৰ অভাৱ নহয়; শ্বিলং গুৱাহাটী ৰাস্তাত procession চলিছে মন্ত্ৰী সকলৰ গাড়ীৰ আনকি টেক্সি ড্ৰাইভাৰেও ১৫/২০ জন মানুহ লৈ Flag তুলি গাড়ী লৈ গৈছে। পুলিচেও নধৰে Minister ৰ পৰিয়াল যোৱা বুলি। গতিকে এই বিলাক অৰাজকতা চলিছে। Famine Relief ৰ টকা যথাযথ ভাৱে দিয়া নাই তাতো পক্ষপাতিত্ব কৰিছে। মোৰ সমষ্টিতে Test Relief ৰ সংক্ৰান্তত deserving person এ পাওক বুলি ভাবি খবৰ ললো, কিন্তু কংগ্ৰেছৰ বৰমূৰীয়া আঞ্চলিক পঞ্চায়তৰ সভাপতিয়ে কলে যে বৈৰামাৰী গাওঁৰ মানুহে টকা নাপায়। Test Relief ৰ টকা ছামছুল হুদাই দিয়াব নোৱাৰে। ইয়াৰ কিবা ব্যৱস্থা লবনে ?

আকৌ Seed বিতৰণৰ ক্ষেত্ৰত দেখা যায় যাৰ ঘৰত ভৰাল ভৰি আছে, এশ দেৰশ মোন ধান জমা হৈ আছে তেওঁলোকহে seed loan ৰ টকা পায়। আকৌ Gratitude Loan পায় ধনীসকলেহে। যাৰ পঢ়া ল'ৰা-ছোৱালীৰ কাৰণে মাছুল দিবলৈ মৰাপাট বিক্ৰী কৰিবলগীয়া হৈছে তেওঁলোকে Gratitude loan নাপায়, পোৱা নাই। আকৌ যি বিলাকৰ ঘৰ ভঙা নাই তেওঁলোকৰ ঘৰৰ গাঠি এটা নিছিঙিলেও সাহায্য পায় অথচ প্ৰকৃততে ঘৰ ভঙা লোকসকলে সাহায্য নাপায়। খবৰ কৰিবলৈ গলেও কয় M.L,A লগত আনিলে টকা নাপাব। চাৰিবজালৈ খেতিয়ক দুখীয়া, নিৰীহ লোকসকলক অফিচতে ৰাখি থয় আৰু

শেষত "তোৰো অৰ্দ্ধং মোৰো অৰ্দ্ধং" কৰি টকা বিতৰণ হয়। ঢ়িং মৌজাৰ লোকক চিনাক্ত কৰে ... মৌজাৰ লোকে/এনেকৈ হলে সমাজতান্ত্ৰিক চৰকাৰ বুলি কব পাৰি নেকি ?

গৰু মৰা মানুহে cattle loan পোৱা নাই। গৰু নমৰা মানুহে cattle পাইছে। মোৰ সমষ্টিত লাহৰিঘাট, ৰূপহী আদিৰ মানুহে এবছৰৰ আগতে দৰ্খাস্ত দিছে তাৰ কোনো বিচাৰ নাই। দুভিক্ষ্যৰ সৃষ্টি হৈছে। সেই অঞ্চলৰ মানুহে Test Relief ৰ টকা পোৱা নাই। ৰূপহি, কলিয়াবৰ, লাহৰীঘাটত একেবাৰে টকা দিয়া হোৱা নাই। এতিয়াই দুভিক্ষ্যৰ সৃষ্টি হৈছে অদূৰ ভবিষ্যতে তাত হাজাৰ হাজাৰ শ শ মানুহ মৃত্যুৰ সন্মুখীন হব। সেইটোৱে নহয় যিবিলাক মানুহৰ বান-পানীত ঘৰ-দুৱাৰ ভাঙিছে সেই মানুহবিলাকে Rehabilation loan ৰ কাৰণে দৰখাস্ত কৰিছে মই সিদিনা এইবিষয়ে অনুসন্ধান কৰাতহে গম পাইছো যে, সেই দৰ্খাস্তৰ টোপোলা আলমাৰীতে বান্ধি ৰাখি দিয়া হৈছে। তাৰ কোনো তদন্ত হোৱা নাই। টকা পাইছেনে নাই তাৰো কোনো খবৰ নাই। জিলাৰ উপায়ুক্তই ঘৰ-দুৱাৰ মেৰামতিৰ কৰিবৰ বাবে টকা দিব নোৱাৰে। অফিচত কৈছে যে ৭½ টকাৰ টিকেট দৰ্খাস্ত প্ৰতি নলগালে সেই দৰ্খাস্ত আগবঢ়োৱা নহয়। যিবিলাক মানুহে Re-habilation Loan ৰ কাৰণে দৰ্খাস্ত দিছে, তেওঁলোকে ৭½ টকা ফীজ কেনেকৈ দিব পাৰে ? তেওঁলোকৰ থাকিবলৈ ঘৰ নাই, খাবলৈ ভাত নাই, সেই মানুহে ফীজ কেনেকৈ দিব। গতিকে এই দুখীয়া মানুহসকলৰ ফীজ খিনি গবৰ্ণমেণ্টৰ তৰফৰ পৰা দিব বুলি অনুৰোধ কৰিছো। এই মানুহ বিলাকেই গমতন্ত্ৰৰ, দেশৰ সেৱা কৰি আহিছে। উপাধ্যক্ষ মহোদয়, আজি Relief ৰ কাৰণে যি টকা দিয়া হৈছে এই টকা ক'ত দিছে কাক দিছে ? গৰীৱ, দুখীয়া জনসাধাৰণে পোৱা নাই। আজি গৰীৱ, দুখীয়াৰ তেজৰ তোপালেৰে টকা আহিছে, সেই টকাৰ বাজেট বিত্তমন্ত্ৰী ডাঙৰীয়াই আমাৰ পৰা পাচ কৰিব বিচাৰিছে। দেশত কি ঘটনা ঘটিছে আজি এই টকাৰ ক্ষেত্ৰত ? বিত্তমন্ত্ৰী মহোদয়ে পাল তৰা গাড়ীত গলে দেখিব যে, ফটা কাপোৰ পিন্ধা ভিক্ষাৰীৰ খাবলৈ নোহোৱা গৰীৱ সকলৰ কেনেকৈ ৰক্ত পান কৰিছে। যদি তেখেঁতৰ গণতন্ত্ৰৰ প্ৰতি শ্ৰদ্ধা থাকে, যদি মানুহৰ প্ৰতি মৰম আছে তেন্তে মোৰ বিশ্বাস তেখেঁতে ততালিকে সেই বিষয়া সকলৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লব। কিন্তু আজি

সেই ব্যৱস্থা হোৱা নাই। ইয়াৰোপৰি আজি যোৱা ৬ মাহ ধৰি মোৰ সমষ্টিৰ কান্দুলীমাৰিৰ ১ নং আৰু ২ নং গাৱত আধা মাইলৰ দুটা ৰিং বন্ধাৰ কাম আছে। এই দুটা বন্ধা হলে ৩ হাজাৰ বিঘাৰ খেতিৰ মাটি কাৰণে সুবিধা হব। যোৱা বছৰ এই ৰিং ভঙাৰ বাবে এই অঞ্চলত ৭ বাৰ পানী সোমায়। ইয়াৰোপৰি এই তিনিহাজাৰ বিঘা মাটিত ৮শ পৰিয়াল আছে। তাত যদি ৰিং বান্ধ বান্ধি দিয়া নহয় তেন্তে তাত খেতি কৰিয়েই বা কি লাভ হব। গতিকে তাত Test Relief দি বান্ধ বান্ধি দিব লাগে। এই চৰকাৰে আধামাইল বান্ধ দিবৰ কাৰণে টকা দিব নোৱাৰে। মই নগাওঁ জিলাৰ উপায়ুক্তক Note আৰু Representation দিছো। B.D.O. ই Scheme বিচাৰিছে। B.D.O ক ৰাইজে কৈছে, তেতিয়া কৈছে D.C ৰ পৰা কাগজ আহক, Scheme আনক। এতিয়া দেখা গৈছে এইদৰে চৰকাৰত যিটো বান নিয়ন্ত্ৰণ বিভাগৰ মথাউৰি আছে সেইটো ভাঙি-চিঙি টুকুৰা হৈ যাব। এইবাৰ বানপানীত ৰিং বান্ধ উটি যাব। ৰেলৰে Station উটি যাব। এই বানপানী নিয়ন্ত্ৰণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ডাঙৰীয়াই মোক লিখিত ভাৱে দিছিল। সেই Scheme ৰ কাৰণে ৰাইজে গৈ তাগাদা দিয়ে B.D.O. ক B.D.O. ই হাঁহি কৈছে কমলা ডাক্তৰে Electric চাল চলাইছে। Scheme যে বনাব লাগে তাৰ ব্যৱস্থা হোৱা নাই। এই টকা কিহৰ কাৰণে দিছে? আজি এনেহে অৱস্থা হৈছে যে গাভৰু ছোৱালীয়ে মুৰত খৰি ভাৰ কৰি আনি বজাৰত বিক্ৰি কৰি খোৱাৰ সামগ্ৰী কিনি নিছে। কিন্তু আমাৰ চৰকাৰে একো কৰিব পৰা নাই।

Mr. Deputy Speaker :

এইবিলাক কথা ৰাজ্যপালৰ ভাষনৰ ওপৰত আলোচনা হব নালাগে।

M. Shamsul Huda :

উপাধ্যক্ষ মহোদয় অহা দুমাহৰ ভিতৰত মায়ং অঞ্চলৰ পৰা শিলঘাটলৈ ভীষণ দুৰ্ভিক্ষ হব। শ শ মানুহ মৃত্যুৰ মুখত পৰিব।

শিক্ষাৰ ক্ষেত্ৰত গৱৰ্ণমেণ্টে কৰ্ত্তব্য পালন কৰিব পৰা নাই। আজি প্ৰাইমেৰী School বিলাক বৰ্ডে লব পৰা নাই। এই স্কুল বিলাকত ৫শ ৬শ ছাত্ৰ-ছাত্ৰী আছে কিন্তু তাত ৩ জনৰ অধিক শিক্ষক নাই M.E. স্কুলবিলাকত

মঞ্জুৰী দিব পৰা নাই। Building ৰ বাবে টকা দিব পৰা নাই আগতে কৈছিল যে Deficit দিব।

যোৱা বছৰ চৰকাৰে Higher Ad hoc গ্ৰান্ট দিয়াৰ সিধান্ত লৈছিল। হাইস্কুল বিলাকক ১৫ শ টকা আৰু M.E. স্কুলত কিমান টকা? কিন্তু এই টকা দিম দিম বুলি কৈ থকাতেই থাকিল আজিলৈকে নিদিলে। এই দৰেই নিদিয়াৰ ফলত এই স্কুল আৰু College বিলাক অচল হৈ পৰাৰ উপক্ৰম হৈছে। মোৰ সমষ্টিত এখন College ত মাহে ২ হাজাৰ টকা দিছে যত ৫ হাজাৰ টকাৰ দৰ্কাৰ। এই College খন চলিব কেনেকৈ? তাৰোপৰি কিছুমান College বা স্কুল যিমান লাগে তাতোকৈ বেচিহে পাইছে। এনে অৱস্থাত এই স্কুল কলেজ বিলাক তিস্থি থাকিব কেনেকৈ। তাৰো পৰি চৰকাৰে Deficit grant ৰ পৰা এই অনুস্থান বিলাকক বঞ্চিত কৰিবৰ কাৰণে De-Recognisation ৰ এটা পদ্ধতি গ্ৰহন কৰিছে। তাৰ ফলত কাকতি কমিশ্যাণৰ Award বা Dearness Allowance ৰ সুবিধা পোৱা নাই।

উপাধ্যক্ষ মহোদয়, মই ইয়াৰ পাচত কব খুজিছো ........

(সময়ৰ সংকেট)

সেইটো হল ৰাজহ বিভাগৰ কথা। এই ৰাজহৰ শিতানত বহুতো টকা মঞ্জুৰী হৈছে। কিন্তু কামৰ বেলাত কোনো কাম হোৱা নাই। tax বা খাজনা আদায় চৰকাৰে কৰিব পৰা নাই, উজনী অসম ৰ কোনো এজন মৌজাদাৰৰ বোলে ১ই লাখ টকা অনাদায় হৈ আছে। চৰকাৰে এই টকা পোৱা নাই। মৌজাদাৰ বিলাকে চৰকাৰক ঘাটি খোৱাবৰ কাৰণে ৩/৪ টা বহীত খাজনা আদায় কৰি পুৰণা এটা বহীৰ হিচাপ দেখুৱায়। এই দৰেই বিশৃঙ্খল অৱস্থাৰ সৃষ্টি কৰিছে। অকল ৰাজহ বিভাগতেই নহয় বন বিভাগৰ পৰাও চৰকাৰে পাবলগীয়া খাজনা পোৱা নাই। মাটি বাৰীৰ ক্ষেত্ৰটো "গৰীবী হতাও ঃ ঠাইত 'গৰীবক হতাও' হৈছে। গৰীব সকলে মাটি-বাৰী পাবলৈ অক্ষম হৈ ব্ৰহ্মপুত্ৰৰ বালিৰ চৰ অথবা জংঘলৰ মাজলৈ যাবলগীয়া হৈছে। জনসাধাৰণৰ এনেহে অৱস্থা হৈছে যে খেতি কৰিবলৈ মাটি নাই খাবলৈ ভাত নাই। এনে অৱস্থাত তেওঁলোকে কি কৰিব? হয় চুৰি ডকাইত নহয় ভিক্ষা কৰিব লাগিব। ভিক্ষা কৰিলেও ভিক্ষাৰীয়ে ভিক্ষাৰীক কেনেকৈ ভিক্ষা দিব। গতিকে বাধ্য হৈ নিজৰ পৰিয়ালক পোহ-পাল দিবলৈ গৈ

জংঘল দখল কৰিবলগীয়া হৈছে। প্ৰকৃত পক্ষে এই মানুহ বিলাক 'সৰ্ব্বহাৰা'। এই সৰ্ব্বহাৰা মানুহ বিলাক যেতিয়া মাটি দখল কৰে তেতিয়া তেওঁলোকক চৰকাৰৰ পুলিছে মাৰধৰ কৰে।

শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠী ঃ

মাননীয় সদস্যই এই বিলাক কথা General Discussion on Budget অথবা ৰাজ্যপালৰ ভাষনত আলোচনা প্ৰসংঙ্গত কব পাৰে। কিন্তু Appropriation বিলৰ প্ৰসংঙ্গতে এই বিলাক প্ৰাসঙ্গিক নহয়। আৰু এই বিলাকৰ উত্তৰো দিব নোৱাৰি। এই Appropriation বিলৰ ওপৰত আলোচনা সংক্ষিপ্ত হব লাগে। ইয়াত Land Revienue ৰ কাৰণে টকা ধৰা হোৱা নাই। গতিকে সেই শিতানৰ আলোচনাৰ স্থান নাই। যত যিমান মঞ্জুৰী আছে সেই হিচাপহে দিব পৰা হব। তাতকৈ অধিক টকা দিব পৰা নহব। গতিকেএই Appropriation বিলৰ ওপৰত আলোচনা সীমাবদ্ধ আৰু এই সীমা মাননীয় সদস্য সকলে সংৰক্ষণ কৰিব বুলি আশা কৰিলো।

Mr. Deputy Speaker :

Mr. Huda, you have already taken 27 minutes. Time is fixed upto 4 o'clock and I give you only 3 minutes more.

শ্ৰীছামচুল হুদা :

গতিকে চৰকাৰে যি নীতি কৰিছে সেই নীতি সমভাবে পালন কৰিব পৰা নাই। নিৰ্ব্বাচনৰ ক্ষেত্ৰত চৰকাৰে টকা ধৰিছে। কিন্তু এই ক্ষেত্ৰত প্ৰত্যেক সমষ্টিতে হাজাৰ হাজাৰ লোক ভোটাধিকাৰ পৰা বঞ্চিত হৈছে। অকল গুৱাহাটীতেই ১২ হাজাৰ লোক ভোটাধিকাৰৰ পৰা বঞ্চিত হৈছে। সমগ্ৰ ৰাজ্যতে ১৯৬৭ চনৰ তুলনাত এইবাৰ হাজাৰ হাজাৰ মানুহ ভোটাধিকাৰ পৰা বঞ্চিত হল। গতিকে নিৰ্ব্বাচনৰ কাৰণে যি মঞ্জুৰী ললে সেই টকা নীতিৰ দোহাই দি শ্বাদ্ধ কৰিলে। এইটো বৰ পৰিতাপৰ কথা।

Shri Premadhar Bora :

উপাধ্যক্ষ মহোদয়, এইখন Assam Appropriation Bill এই খনক মই appropriation বিল বুলি নকও অৱশ্যে Mis appropriation বুলিও কব

কব খোজা নাই। কিন্তু এই appropriation one man appropriation বুলিয়েই কব পাৰি। কাৰণ এজন মন্ত্ৰীয়েই ৯৩½ কোটি টকাৰ ভিতৰত ৯ কোটি টকাৰ appropriation পাইছে। যি ৰাজ্যত ৭২ জনেই খেতিয়ক তাত Agricultural Loan দিছে ২০ হাজাৰ টকা আৰু Industrial Loan দিছে ২৩ হাজাৰ আকৌ আনহাতে চাওক Govt Employee ক Loan হিচাবে দিছে ২৩ লাখ ১৭ হাজাৰ।

Shri Kamakhya Prasad Tripathi (Minister):

এই ২০ হাজাৰ টকাটো উদ্বৃত্ত টকাহে আৰু তাৰ পৰাই চৰকাৰে চাকৰিয়ালক লোন দিয়া হৈছে।

Shri Premadhar Bora :

আমাৰ ৰাজ্যত প্ৰায় ১০০০ খন Venture স্কুল আছে তাত এজনকৈ শিক্ষক হলেও ১২ লাখ টকা লাগে। প্ৰত্যেক জন মাননীয় সদস্যৰ অঞ্চলতে এই ধৰণৰ L.P. স্কুল আছে অথচ এই ১২ লাখ টকাকে চৰকাৰে খৰচ কৰিব খোজা নাই। আকৌ এই চৰকাৰেই primary education ৰ কথা কয়।

Shri Kamakhya Prasad Tripathi :

আগতেই ২ কোটি ১৯ লাখ টকা দিয়া হৈছে।

Shri Premadhar Bora :

মই খোলা-খুলি ভাবে কব বিচাৰিছো, অধ্যক্ষ মহোদয়ৰ জৰীয়তে primary স্কুলৰ কাৰণে নহয়। primary স্কুলৰ ছাত্ৰৰ অভিভাৱক বা কন-কন লৰা-ছোৱালী ইয়ালৈ আহিব নোৱাৰৰ কাৰণেই primary স্কুলৰ ভাগ্যত টকা নাই। আকৌ আনহাতেদি নতুন নতুন প্ৰাইমেৰী স্কুল হাতত লব পৰা নাই। কিন্তু কলেজৰ কাৰণে যি সকলো ফিট-ফাট হৈ আছে তেওঁলোকৰ কাৰণেহে টকা আছে। গতিকে ১ লাখ খন L.P. স্কুলৰ কাৰণে যি ১২ লাখ টকাৰ প্ৰয়োজন তাৰ যেন ব্যৱস্থা চৰকাৰে কৰে।

Shri Kamakhya Prssad Tripathi :

এই কথাত মই Bora ডাঙৰীয়াৰ লগত একমত।

Shri Premadhar Bora :

বানপানীৰ কাৰণে যি বিলাক কাম কৰিবলগীয়া আছে সেই বিলাক বানপানীৰ অহাৰ আগতে যাতে কৰা হয়। এই বছৰ বানপানী নিয়ন্ত্ৰণৰ কাম একো হোৱা নাই। E & D Deptt যে আমাৰ মঠাউৰী ভঙা চিঙা কাম কৰি আছে এই বোৰ কাম কৰিবৰ কাৰণে ব্ৰহ্মপুত্ৰ কমিশ্যনৰ দৰকাৰ নাই।

Shri Kamakhya Prasad Tripathi :

এই Commission পতাৰ ১ বছৰহে হৈছে।

Shri Premadhar Bora :

এবছৰেও একো কাম হোৱা নাই। যি ৪৪ লাখ টকা গৈছে সেইটো ঠিকাদাৰ সকলে কৰা কামৰ দিবলগিয়া টকাৰ বাবেহে লোৱা হৈছে।

( সময়ৰ সংকেত )

মুঠতে Flood Control ৰ একো কাম হোৱা নাই সেই কথালৈ দৃষ্টি আকৰ্ষণ কৰি মই সামৰণি মাৰিলো।

Shrimati Pranita Talukder :

মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই সদনত পৰিপূৰক মঞ্জুৰীৰৰ শিতানত Appropriation বিলত আমাৰ বিত্তমন্ত্ৰী মহোদয়ে যি প্ৰস্তাৱ দাঙি ধৰিছে তাত মোৰ পূৰ্ণ সমৰ্থন আছে। মাননীয় সদস্য সকলৰ ফালৰ পৰা শুনা গৈছে যে আমাৰ ২০ জন মন্ত্ৰীয়ে আজি উধাই-মুধাই গোটেই অসম ঘূৰি ফুৰিছে আৰু ৰাইজৰ অজস্ৰ টকা খৰছ কৰিছে আৰু ভাল একো কাম হোৱা নাই ; কিন্তু এই কথাৰ প্ৰতি মই প্ৰতিবাদ জনাইছো কাৰণ আমাৰ মন্ত্ৰীসকলে আমাৰ ৰাজ্যখন চলাবলৈ যথেষ্ট দায়িত্ব লৈছে আৰু ভবিষ্যতেও দায়িত্ব লব। আমাৰ মন্ত্ৰীসকলে বিভিন্ন সমষ্টিৰ সমস্যা নিৰিক্ষণ কৰিবৰ কাৰণে ভ্ৰমন কৰিবলৈ যায় গতিকে মন্ত্ৰী সকলে অযথা ভ্ৰমনলৈ যায় বুলি যি অভিযোগ অনা হৈছে মই তাৰ প্ৰতিবাদ কৰিছো আৰু আগলৈ যেন এই ধৰনৰ কথা আৰু উত্থাপন নকৰে।

উপাধ্যক্ষ মহোদয় আমাৰ দেশৰ কৃষি উদ্যোগ আৰু শিক্ষাৰ ক্ষেত্ৰত যি দুৰ্যোগ হৈছে তালৈ চাই appropriation বিলৰ যি খিনি টকা বিচৰা হৈছে তাত মোৰ সম্পূৰ্ণ সমৰ্থন আছে কাৰণ ৰাজ্যখনৰ বেলেগ বেলেগ বিভাগৰ বহুতো কাম

এতিয়াও কৰিবলৈ বাকী আছে। আমি শিক্ষাৰ ক্ষেত্ৰত দেখিবলৈ পাইছো যে আমাৰ শিক্ষাৰ সম্প্ৰাসাৰনৰ দৰকাৰ হৈ পৰিছে।

আজি আমাৰ বিশ্ব বিদ্যালয়ৰ শিক্ষাই হওক বা কলেজীয়া শিক্ষাই হওক সকলো বিলাক শিক্ষাৰেই মূল ভেটি হৈছে প্ৰাথমিক শিক্ষা। কিন্তু আজি এই প্ৰাথমিক শিক্ষাৰ ওপৰত দুৰ্যোগ আহি পৰিছে। সেই কাৰণে এতিয়া যি খিনি টকা এই Appropriation বিলত ধৰা হৈছে, সেই খিনি যাতে সমান ভাৱে বিতৰণ হয়, তাৰ বাবে আশা ৰাখিলো। আমাৰ ৰাজ্যত যি বিলাক প্ৰাথমিক শিক্ষানুষ্ঠান আছে, সেই বিলাকৰ স্কুল ঘৰবোৰ যাতে ভাল কৰিব পাৰি তাৰ বাবে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

তাৰ পাছত বান-নিয়ন্ত্ৰণৰ ক্ষেত্ৰত যি বিলাক টকা দিয়া হৈছে, সেই বিলাকো যাতে সমান ভাৱে বন্টন হয় তাৰ বাবে আশা কৰিলো। যিহেতুকে যি বিলাক মঠাউৰি, বান্ধ আদি দিয়া হয়, সেই বিলাক সময়ে সময়ে ভাঙি যায়। গতিকে সেইবিলাক অনুসন্ধান কৰি পুনৰ নিৰ্ম্মান কৰিব বুলি আশা কৰি মই বহিলোঁ।

শ্ৰীকামিনী মোহন শৰ্ম্মা:

উপাধ্যক্ষ মহোদয়, মই Appropriation বিলৰ বিষয়ে অলপ আলোচনা কৰিব বিচাৰিছোঁ। কাৰণ এইটো সংবিধান মতে আমাৰ গনতন্ত্ৰবাদ নাহিল—আওপকীয়া ভাবেহে আহিছে; সেই কাৰণে টকাবোৰ যাতে আওপকীয়া ভাৱে খৰচ নহয়, তাৰ বাবে চৰকাৰক সাৱধান কৰি দিছোঁ।

ইয়াত মই দুঃখেৰেসৈতে কবলৈ বাধ্য হৈছোঁ যে, আমাৰ অকল বান নিয়ন্ত্ৰন বিভাগতেই ১৩ কোটি টকা খৰছ হৈছে। সেই কাৰণে মই উদাহৰণ দিব বিচাৰিছোঁ যে যোৱা বছৰ আমাৰ ৰঙিয়া অঞ্চলত ভয়াবহ বানপানী হৈ গল। বহুতো পৰিয়াল বানপানীত বিদ্ধস্ত হল আৰু জুৰুলা হৈ পৰিল। কিছুমান খেতিয়কৰ গৰু ম'হ সা-সম্পতি আদি নষ্ট হ'ল ঘৰ দুৱাৰ ভাগি গল পানীৰ সোতে উতুৱাই নিছে বোকাত পোত গল। এই ভয়াবহ বানপানীৰ কথা সকলোৱে জানে যে ৰঙিয়াৰ কৃষক সকলে বানপানীত জৰ্জ্জৰিত হৈ নানা বিপদৰ সন্মুখিন হব লগীয়া হৈছে। অকল পুথিমাৰী নদীয়েই চাৰিটা ঠাইত মঠাউৰী ভাঙিছে

আৰু এই চাৰি ঠাইৰ বানপানীয়ে গোটেই ৰঙ্গিয়া অঞ্চল ডুবাই পেলাইছে। এই কথা আপোনালোকে জানে যি সকল মন্ত্ৰীয়ে তালৈ গৈছিল আৰু যি সকলে বাতৰি কাকত পঢ়ে বা ৰেডিঅ শুনে তেওঁলোকে গম পাইছে। এই নদীখনৰ ভগা বা চিগা মঠাউৰি বিলাক এতিয়াও অসম্পূৰ্ণ অৱস্থাতেই আছে। এতিয়াও সম্পূৰ্ণ মেৰামতি হোৱা নাই। বাৰিষা আহিলেই। সেই কাৰণে মই কৈছোঁ যে অসমৰ বিভিন্ন ঠাইত ব্ৰহ্মপুত্ৰৰ হওক বা অন্যান্য নদীৰেই হওক যিবিলাক মঠাউৰী অসম্পূৰ্ণ হৈ আছে সেই বিলাক অতি সোনকালে সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ April মাহত বৰষুণ হবই। গতিকে এই কেই দিনৰ ভিতৰতে যদি কাম আৰম্ভ নকৰে তেনেহলে সম্পূৰ্ণ হোৱাৰ আশা নাথাকে আৰু আমাৰ গোটেই ৰঙ্গিয়া অঞ্চল বানপানীৰ গ্ৰাহত পৰি ধ্বংস হব। গতিকে কেৱল গাদীত বহি থাকিলেই নহব। প্ৰত্যেকেই দুখীয়া জনসাধাৰনক বানপানী পৰা কেনেকৈ ৰক্ষা কৰিব পাৰি, তাৰ বাবে চিন্তা কৰি সকলো বিলাক কাম হাতে কামে কৰিব লাগিব।

কিন্তু বৰ দুখৰ কথা যে ৰাজহ বিভাগে যি সকল বান বিধ্বস্থ লোকক সাহাৰ্য্য আগবঢ়াইছিল প্ৰকৃত লোক সকলে যি পাব লাগিছিল সেই সকলে পোৱা নাই যথাযথ ভাৱে কাম কৰা নাই। সেই কাৰণে মই কব বিচাৰিছো যাতে যথাযথ ভাৱে প্ৰকৃত ক্ষতি গ্ৰস্ত লোক সকলে সাহাৰ্যবোৰ পাব লাগে প্ৰকৃত ভাৱে কৰিব বুলি আশা ৰাখিলোঁ। কাৰণ আমাৰ অঞ্চলত প্ৰকৃত বান বিধস্থ লোকে চৰকাৰী সাহাৰ্য্য যি ধৰণে পাব লাগিছিল পোৱা নাই আৰু যি বিলাক পৰিয়ালৰ ঘৰ-দুৱাৰ ভাঙিছে বা ম'হ-গৰু মৰিছে সেই সকল পৰিয়ালে এতিয়ালৈকে টকা পোৱা নাই।

দ্বিতীয় কথা হল যে ইয়াত শিক্ষাৰ ক্ষেত্ৰত মুঠ টকা ধাৰ্য্য কৰিছে। শিক্ষাৰ ক্ষেত্ৰত কেৱল মই কোৱাই নহয়; সকলোৰে জনা উচিত যে শিক্ষাৰ মানদণ্ড কমি আহিছে। আমাৰ মন্ত্ৰীসকল গাদীত বহি থাকিলেই নহব। শিক্ষাৰ মানদণ্ড উন্নতি কৰিব লাগিব। সকলো ল'ৰাই যাতে ভাল শিক্ষা পায় তাৰ কাৰণে অহোপুৰুষাৰ্থ চেষ্টা কৰিব লাগিব। প্ৰাইমেৰী শিক্ষানুষ্ঠান বা স্কুল ঘৰ বিলাক যিবিলাক ভাঙি পৰিছে সেই বিলাক অনুষ্ঠান যাতে ভাল হয়, তাৰ বাবে যথাযথ ভাৱে ব্যৱস্থা কৰিব লাগে। আৰু এটা কথা যে এজন শিক্ষকে

অকলে এখন প্ৰাইমাৰী স্কুলত ৫ টা শ্ৰেনীত শিক্ষা দিব নোৱাৰে। ল'ৰা যিমানেই নহওক এজন শিক্ষকে ৫ টা শ্ৰেনীত শিক্ষা দিয়াতো বৰ অসুবিধা জনক। সেই কাৰণে প্ৰত্যেক প্ৰাইমাৰী স্কুলত পাচজন শিক্ষক নিয়োগ কৰিব লাগে। তেতিয়াহে দুখীয়া কৃষক সকলৰ আমাৰ দেশৰ ল'ৰা ছোৱালীয়ে মনোযোগেৰে শিক্ষা লব পাৰিব। প্ৰকৃত ভাৱে শিক্ষা দিয়া ব্যৱস্থা হব।

তৃতীয়তে এটা কথা কওঁ যে আমাৰ দুখীয়া কৃষকৰ শিশু সকলে যাতে পিয়াহত এটোপা পানী পায় তাৰ বাবে প্ৰত্যেক প্ৰাইমাৰী স্কুলতে একোটা নলীনাদ পাতি দিব লাগে। এই কথা মই ১৯৬৮ চনৰ বাজেট অধিবেশনতো কৈছিলোঁ। গতিকে ইয়াৰ এটা তৎকালীন ব্যৱস্থা কৰিবলৈ মই চৰকাৰক অনুৰোধ জনালোঁ। ইয়াৰ লগতে এইটোও কওঁ যে, যাতায়তৰ ব্যৱস্থাৰ বাবে PWD বিভাগ আছে; কিন্তু অসমৰ বিভিন্ন ঠাইতে বহুতো ৰাস্তা-ঘাট বানপানীত ভাগি পৰিছে যাৰ ফলত যাতায়তৰ কাম বন্ধ হৈ পৰিছে। আৰু বানপানীত প্ৰপীড়িত হৈ পৰিছে। ১৯৬৬ চনতে বানপানীত পুথিমাৰী নদীয়ে কাউৰবাহা ৰঙিয়া নোৰেশ্বৰ ৰাস্তাৰ দলংখন উতুৱাই নিছিল। এই দলংখনৰ কাম আৰম্ভ হোৱা আজি দুবছৰ হল কাম সম্পুৰ্ণ হোৱা নাই, কেৰোনটো ক'ত চৰকাৰৰ দৃষ্টি আৰ্কষণ কৰিলো

শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠী :

এই বিলাক কথাত বাৰু মই কেনেকৈ উত্তৰ দিওঁ ?

শ্ৰীকামিনী মোহন শৰ্ম্মা :

মই বিত্তমন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰিব বিচাৰিছোঁ যে এই বিলাকৰ কাৰণে টকা মঞ্জুৰ কৰি দিয়াৰ পাছতো সেই অঞ্চলবোৰ বিধস্থ অৱস্থাতেই আছে।

শেষৰ কথাটো মই কব বিছাৰিছোঁ যে বহুতো অঞ্চলতেই চৰকাৰে State Bank কৰি দিছে আৰু এই State Bank ৰ জৰিয়তে একোটা Sub treasury কৰি দিলে ভাল হয়। গতিকে মোৰ এটা অনুৰোধ আছে যে আমাক ৰঙিয়াতো এটা Sub-treasury পাতি দিব লাগে। আজি কেইবছৰ ধৰি মই এইটো দাবী কৰি আহিছোঁ। কিন্তু পাতি দিয়া নাই। গতিকে সেইটো পাতি দিব বুলি আশা কৰি মোৰ বক্তব্য সামৰিলোঁ।

*শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :

মাননীয় উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী মহোদয়ে বাৰে বাৰে Appropriation Bill ৰ ওপৰত বক্তৃতা দিবৰ সময়ত কৈছে যে, সীমাবদ্ধ হৈ থাকিব লাগে। সেই কাৰণে মই যথাসম্ভৱ ইয়াৰ সীমা বদ্ধতা ৰাখিয়েই কবৰ চেষ্টা কৰিম। আমি consolidated Fund ৰ পৰা টকা দিছো আৰু বিত্তমন্ত্ৰীয়ে কৈছে যে, এই টকা খিনি consolidated Fund লৈ পঠোৱা হব গতিকেই এইটোত বৰ চিন্তা কৰিবৰ দৰকাৰ নাই। এষাৰ কথা আছে — "সুতা এনেচা সেনেচা হেনেক নেচা"। আচলতে সুতা এনেচাই। একে নেচা সুতাকে বাৰে বাৰে দেখুৱাই থাকে। আজি আমাৰ বিত্ত বিভাগৰ ক্ষেত্ৰতো সেই একে অৱস্থাই হৈছে। সেই কাৰণেই মই কৈছোঁ যে যিখিনি টকা দিয়া হৈছে সেই টকা খিনিৰ সাৰ্থক খৰচ হৈছেনে? তাক চাব লাগিব। ১৯৭০ চনৰ Audit Report ত Appendix ত আছে Audit Report. 1970, Apendix I-Cases in which supplementary grants appropriations proved unnecssary/excessive/inadquate. Cases in which supplementary grants/appropriations proved unnecessary-Land Revenue 14.39 Police 79.80 lakhs, Scientific Department 4.47 lakhs, Soil Conservation 2.91 lakhs, Co-operation 4.23 lakhs, Industries-II-Cottage Industries- 8.68. lakhs, Labour and Employment 14.46 lakhs, Miscellaneous Social and Development Organisation.-VIII-Town and Country Planning Organisation 2.67 lakhs, Capital Outlay on Industrial and Economic Development-II-Investment in Co-operative Societies 13.64 lakhs যিমান টকা খৰচ হব লাগিছিল সিমান নহল আৰু গৈ Saving হ'ল। পুলিচত দেখুৱাইছে ৭৯ লাখ ৮০ হাজাৰ টকা এইবোৰ Saving কৰা হ'ল অৰ্থাৎ Appropriate কৰা হ'ল। আকৌ কিছুমানত দেখা গৈছে বাজেটত যিমান Provision আছিল তাতকৈ বেচি খৰচ কৰা হৈছে। Cases in which supplementary grants proved substantially inadequate—General Administration

---

*Speech not corrected

13.17 lakhs Jail 8.48 lakhs, Public Health 29.12 lakhs, Community Development Projects 43.70 lakhs, Navigation Embankment and Drainage Works etc. 156.18 lakhs, Public Works (excluding Tools and Plants and Establishment) 373.42 lakhs Public Works–Tools and Plant and Establishment 45.76 lakhs এইবোৰ Excess. অৰ্থাৎ যিমান খৰচ কৰিব লাগিছিল তাতকৈ বেচি খৰচ কৰিছে। আনফালে আগৰ বিলাক খৰচ কৰিব নোৱাৰি Save কৰিছে। ইয়াৰ দ্বাৰা এইটোকে প্ৰমান কৰিছে যে, চৰকাৰে যি ধৰণে বাজেটখন পৰিচালনা কৰিব লাগে বা ধন খৰচ কৰিব লাগে তেনেধৰণে কৰিব পৰা নাই। ইয়াত নিশ্চয় আসোৱাহ যুক্ত কাৰবাৰ হৈছে। টকা উপাৰ্জ্জন কৰাটো সহজ কথা। কিন্তু খৰচ কৰাটো সহজ নহয়। টকা খৰচ কৰোঁতে যি মিতব্যয়ীতা অৱলম্বন কৰিব পাৰে তাকহে টকা খৰচ কৰিব জনা লোক বুলিব পাৰি। কিন্তু এই কেইবছৰে বাজেটৰ Appropriation Account আৰু Supplementary Demand ত দেখা যায় যে, অৰ্থবিভাগটো খোৰাখুলীয়া হৈছে। আজি তেওঁলোকে যিমান খিনি কাৰ্য্য কৰিব লাগিছিল সিমানখিনি কৰিব পৰা নাই। আজি এই বিভাগৰ পৰা জনসাধাৰণে যিমানখিনি উপকাৰ পাব লাগে সিমানখিনি পোৱা নাই আৰু আমাৰ খৰচ কৰিবলৈ যি কোষ আছে তাক সংবদ্ধ কৰিব পৰা নাই। আমি যদি এই বিলাকৰ পৰা মুক্ত হব নোৱাৰো তেনেহলে আমাৰ এই দৰিদ্ৰ দেশখনক কেনেকৈ আগবঢ়াই নিব বুজি নাপাও। 'চাৰ্বাক' ৰ মন্ত্ৰত যদি আমি দীক্ষিত হৈ মন্ত্ৰীসকলে বা M.L.A. সকলে মন্ত্ৰী, এম. এল. এ হৈ থাকোতেই ধাৰ কৰিয়েই খাব পাৰিম।

যেনেকৈ 'ঋনং কৃত্বা ঘৃতং পিৱেত'। যি সকলে আমাৰ জৰীয়তে বনপাতৰ পৰা আৰম্ভ কৰি যি খাবলৈ আশা কৰিছে তেওঁলোকে গোটেই জীৱনতে বনপাত এটাও খাবলৈ নাপাব। সেইকাৰণে আজি সাৱধান হবৰ হৈছে। আজি আচলতে য'ত কাম হব লাগে তাত কাম নহয়। আজি চিকিৎসাৰ ক্ষেত্ৰত ২৭ লাখ ১৫ হাজাৰ ৭৭৪ টকা ধৰা হৈছে। ইয়াৰ পৰা যাতে ৰাইজে আটাইতকৈ কম সুবিধা খিনিও পাব পাৰে তাৰ কাৰণে চেষ্টা কৰিব লাগে। কিন্তু এই

সুবিধা নাপায়। আজি Hospital বিলাকৰ কি দুৰ্গতি হৈছে বিত্তমন্ত্ৰীয়ে কেতিয়াবা চাইছেনে?

আজি Hospital লৈ গৈ ১০ পইচা দিব লাগে কিন্তু তাত ঔষধ নাপায়। ঔষধ ওচৰৰ ফাৰ্মাচীৰ পৰা কিনি আনিব লাগে। আনকি U.N.I. C.E.F. ৰ পৰা অহা ঔষধো ওচৰৰ দোকানৰ পৰা কিনি আনিব লাগে। আজি লাখ লাখ টকাৰ UNICEF পৰা অহা ঔষধ ওচৰৰ দোকানৰ পৰা কিনিব লাগে। এইবিলাক চৰকাৰে বন্ধ কৰিব পাৰিব লাগিছিল। কিন্তু তাৰ কোনো ব্যৱস্থা লোৱা দেখা নাই। আজি বানপানীৰ ক্ষেত্ৰত যিটো অৱস্থা হৈছে। তাৰো কোনো ব্যৱস্থা লোৱা হোৱা নাই। ব্ৰহ্মপুত্ৰ প্ৰস্থ বাহ অহাত স্বাভাৱিকতে বানপানী হৈছে। কিন্তু ইয়াৰ মঠাউৰিবোৰৰ মেৰামতিৰ কাৰণে কোনো টকা চৰকাৰে দিয়া নাই। যেতিয়া বৰষুণ আহিব তেতিয়াহে কাম আৰম্ভ কৰিব। আনহাতে আজি কিছুমান ঠাইত মঠাউৰি বান্ধি কিছুমান মানুহৰ অনিষ্ঠ কৰিছে। মঠাউৰিত কোনো Sluice Gate নথকাত খেতিৰ মাটিত পানী সোমাব নোৱাৰি মাটিৰ উৰ্ব্বৰা শক্তি নাইকিয়া হৈ যায়। ফলত উৎপাদন কমি যায়। ১৯৬৭ চনৰ পৰাই এটা কথা আলোচনা হৈ আছে যে, কলিয়াবৰত এটা উত্তোলিত জলসিঞ্চন কৰিব। ১৯৭০ চনৰ ২ তাৰিখে মোকে প্ৰমুখ্য কৰি বহুতো মানুহে হাত কোৰ লৈ মঠাউৰি কাতিবলৈ গৈছিলো। কিন্তু ২৮ তাৰিখে Dr. K.L. Rao অহাৰ কথা গম পাই এই কামৰ পৰা বিৰত থকা হ'ল। আমি এই কাম গৰিহনা পাবৰ কাৰণে কৰা নাছিলো কৰিছিলো মাত্ৰ জনসাধাৰণৰ ভালৰ কাৰণে। তাৰ পাচত ৪ তাৰিখে Dr. K.L. Rao আহি আমাক আশ্বাস দিছিল। তেখেতে সেই দপ্তৰৰ মন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীক ৰাজ্যৰ বাজেটত কিমান টকা আছে বুলি সোধাত ১ লাখ ৪৫ হাজাৰ আছে বুলি কোৱাত সেই টকাৰেই আৰম্ভনিৰ কাম কৰিবলৈ কৈছিল। কিন্তু আজিলৈকে তাৰ কোনো নিবিদাকেই আঁচনি কৰিব পৰা নাই।

Moulana Abdul Jalil Chaudhury :

মাননীয় অধক্ষ্য মহোদয়, Page 80, Rule 154, sub-rule 3 আউৰ 4 কে মুতাবিক Appropriation Bill লৰ discussion নিহায়ত Limited

হুৱায় লেকিন য়ঁহা বিলকুল অমূৰী তৌৰ পৰ discussion চল ৰহা হেয়। মেৰে খয়ালমে ইস কো protection নাহি দিয়া যা ৰাহাহ্যায় !

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :

উপাধ্যক্ষ মহোদয় তেখেতে যিটো Rule quote কৰিছে তাত কৈছে Rule 154 (3)- The debate on an Appropriation Bill shall be restricted to matters of public importance or administrative policy implied in the grants covered by the Bill which have not already been raised while the relevant demands for grants were under consideration. The Speaker may restrict time and debar reptition. Rule 154 (4) The Speaker may, in order to avoid repetition of debate, require members desiring to take part in discussion on an Appropriation Bill to give advance intimation of the specific points they intend to raise, and he may withhold permission for raising such of the points as in his opinion appear to be repetitions of the matters discussed on a demand for grant or as may not be of sufficient public importance.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :

এতিয়া দেখা গৈছে যে, বনাঞ্চলত যথেষ্ট টকা দিছে প্ৰায় ১ কোটি ১ শ ২০ লাখ টকা। আৰু বন বিভাগৰ পৰা কোৱা হয় যে, বনাঞ্চলত কেতিয়াও ক্ষতি নহয়। দৰাচলতে বনজ সম্পদ অকল যে বেদখলকাৰীয়েই লোকচান বা গ্ৰাহ কৰিছে এনে নহয় বনবিভাগৰ সঞ্চালক সকলৰ জৰিয়তে, বন বিভাগৰ মন্ত্ৰীৰ জৰিয়তে বন বিভাগৰ যথেষ্ট অন্যায় কৰা হৈছে। শিলঙৰ পৰা এই যোৱা ৪ বছৰে Conservator of Forests বিভিন্ন অঞ্চলত অনুমোদন নোহোৱাকৈ বন মন্ত্ৰীৰ জৰিয়তে নামঘৰ, স্কুলঘৰ আদিত কিমান কাঠ দিয়া হৈছে এইটো তদন্ত কৰিলে পৰিষ্কাৰকৈ ওলাই পাৰিব যে, বনজ সম্পদত যিমান টকা আয় হৈছে তাৰ পৰিবৰ্ত্তে সিমান টকা ধ্বংসও হৈছে। তেন্তেহলে D. F. O. ৰ কোনো দৰকাৰ নাই।

Conservator of Forest ৰ কোনো প্ৰয়োজন নাই। স্কুলঘৰে, নামঘৰে এই-দৰেই কাঠৰ Permit পাই আছে। যিখিনি ৰাজহুৱা ৰাইজৰ কামত খৰচ কৰিবৰ কাৰণে বিভিন্ন মন্ত্ৰী দপ্তৰক কৰ্তৃত্ব দিছিলো সেই ধৰনৰ সদব্যৱহাৰৰ বাবে মই বিত্তমন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীশৈলেন মেধি :

উপাধ্যক্ষ মহোদয়, Appropiation Bill ৰ সংক্ৰান্তত মাননীয় সদস্যসকলে বিভিন্ন ধৰণে চৰকাৰক সমালোচনা কৰিছে। আৰু বিশেষকৈ চৰকাৰৰ ব্যয়বহুল নীতি আৰু এই নীতিৰ জৰিয়তে চৰকাৰৰ আৰ্থনীতিৰ এটা তুৰ্ব্বল অৱস্থাৰ কথা পৰিস্কাৰকৈ আঙুলিয়াই দিছে। Audit Report ত যিবিলাক অপচয়ৰ কথা আছে সেইবিলাক পৰা হাত সাৰিবলৈ চৰকাৰে কোনো ব্যৱস্থা লব পৰা নাই আৰু সেই কথা আমাৰ মাননীয় সদস্যসকলে আঙুলিয়াই দেখুৱাইছে। চৰকাৰে অপচয়ৰ ক্ষেত্ৰত, মিতাব্যয়িতাৰ ক্ষেত্ৰত অপাৰগ হৈছে—আৰু তাৰ ফলত আমাৰ অৰ্থনীতিত এটা আঘাট পৰিছে। কিন্তু এই Appropiation Bill ৰ সংক্ৰান্তত মাননীয় সদস্যসকলে এটা কথাত গুৰুত্ব আৰোপ কৰা দেখা গৈছে। সেইটো হৈছে অসমৰ বান-নিয়ন্ত্ৰনৰ ক্ষেত্ৰত। উপাধ্যক্ষ মহোদয়, আপুনি জানে যে আজি মাননীয় সদস্যসকলে কিয় এই সমস্যাত গুৰুত্ব আৰোপ কৰিছে। আজি এটা স্কুল ঘৰত যদি এখন বেৰা নেথাকে, এবছৰ বেৰা নথকাকৈ স্কুলঘৰ চলাই থাকিব পাৰে, আজি যদি কোনো ৰাষ্ট্ৰাত শিলগুটি নেপেলায় তথাপিও মানুহ অহাযোৱা কৰি থাকিব পাৰে—কিন্তু বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত এইটো একে নহয়। অসম চৰকাৰৰ গাফিলতিৰ বাবে সমগ্ৰ অসমৰ অৰ্থনৈতিক, সামাজিক, আৰু ৰাজনৈতিক ক্ষেত্ৰত এটা আলোড়ণৰ সৃষ্টি হব পাৰে। আৰু অসমৰ নিচিনা এখন দেশত আজি ৮।১০ বছৰে অৰ্থ-নৈতিক আঘাট আহি পৰে তেন্তে তাৰ জনসাধাৰণৰ আৰ্থিক অৱস্থাটো তুমুল আঘাট পৰে। যেতিয়া কেন্দ্ৰীয় চৰকাৰে অসমৰ বানপানী সমস্যাটো এটা জাতীয় সমস্যা হিচাবে ললে—আমাৰ অসমৰ যি সকল মাননীয় সদস্য পালিয়ামেণ্টত আছিল সেই সদস্যসকলৰ নানান চেষ্টা অসম চৰকাৰৰ চেষ্টাত এই বানপানী সমস্যাটো এটা জাতীয় সমস্যা হিচাবে পৰিগণিত হল আৰু এই বানপানী সমস্যা সমাধান কৰিব বুলি ব্যৱস্থা লোৱা দেখি আমি সুখী হৈছিলো। বানপানী সমস্যাক জাতীয় সমস্যা হিচাবে লৈ অসমত ব্ৰহ্মপুত্ৰ কমিচন গঠন কৰি দিয়া হল।

সেই কমিচনৰ খৰচ অসম আৰু কেন্দ্ৰীয় চৰকাৰে সমানে বহন কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু আজি ছুবছৰ হৈ গল ব্ৰহ্মপুত্ৰ কমিচনে একো কাম আজিলৈ কৰিবপৰা নাই। এই বছৰতে যদি এই কাম কৰিবপৰা নহয় তেন্তে অহা বানপানীত এটা ভয়াবহ অৱস্থাৰ সৃষ্টি হব। এই কথাত অৱগত হৈ ভয়ত সকলোৰে বিহ্বল হৈ পৰিছে। আৰু বাৰে বাৰে বানপানীৰ কথা আমাৰ মাননীয় সদস্য সকলে আনিব লগা হৈছে। আজি যদি বানপানীৰ সমস্যাৰ কথা ব্ৰহ্মপুত্ৰ কমিচনৰ ওপৰতে এৰি দিও তেতিয়াহলে অসমত ছুৰ্ঘোৰ অৱস্থাৰ সৃষ্টি হব। ইতিমধ্যে আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা ৫ কোটি টকা Sanction হোৱাৰ কথা শুনিবলৈ পাইছো। ( এইটো শুদ্ধ নহবও পাৰে—মন্ত্ৰী মহোদয়ে জানে ) এতিয়া কোৱা শুনিছো সেই পাচ কোটি টকা আগৰ ঠিকাদাৰৰ দেনা দিওতেই গল। এই ক্ষেত্ৰত Financial Power লৈ ছুয়োপক্ষৰ গোলমাল চলি আছে কোনো সিদ্ধান্ত হোৱা নাই। খৰছ অসম চৰকাৰে কৰিবনে কমিচনে কৰিব তাৰ কোনো থিক হোৱা নাই।

**Shri Syed Ahmed Ali ( Minister ):**

৫ কোটি টকা পোৱা নাই। ৩ কোটি Loan হে পাইছো

**Shri Sailen Medhi:**

এতিয়া যি টকা পাইছে, সেই টকা কোনে খৰচ কৰিব তাকো স্থিৰ কৰিব পৰা নাই কাৰণ আগৰ টকা ঠিকাদাৰৰ বাকী দিওতেই গল। ইতিমধ্যে আমি শুনিবলৈ পাইছো—যে অসম চৰকাৰে যেতিয়ালৈকে বিধান সভাত অনুমোদন নোহোৱা খৰছ কৰা ৭ কোটি টকাৰ হিচাব দিব নোৱাৰে তেতিয়ালৈকে কোনো টকাই কেন্দ্ৰীয় চৰকাৰে দিব নোৱাৰে। এইটো কিমান দূৰ সত্য আমি নাজানো। এইটো বহুত দিনৰ আগতে প্ৰচাৰ লৈছিল। আজি যদি টকা খৰচ কৰা ক্ষমতালৈ চৰকাৰে হস্তক্ষেপ কৰে তেন্তে কমিচনৰ কামত ব্যাঘাট জন্মিব। এই বান নিয়ন্ত্ৰনৰ ক্ষেত্ৰত অসম চৰকাৰে এই কেই বছৰ কোনো কামতে হাত দিব পৰা নাই। আনহাতে এই বছৰ তীব্ৰগতিৰে বানপানী আহি অসমক তথা অসমৰ খেতিবাতি ক্ষতিগ্ৰস্থ কৰিব —তাৰ ফল স্বৰূপে অসমত অৰ্থনৈতিক ছুৰ্য্যোগে দেখা দিব পাৰে। আজি সেই কাৰণেই মাননীয় সদস্য সকলে এই বানপানীৰ কথা বাৰে বাৰে উন্নুকিয়াইছে।

সেই কাৰণে উপাধ্যক্ষ মহোদয়, এই কথাৰ ওপৰত গুৰুত্ব আৰোপ কৰি

বিত্তমন্ত্ৰী মহোদয়ক এইটো কথা কব বিচাৰিছো যে বান নিয়ন্ত্ৰনৰ ক্ষেত্ৰত চৰকাৰে ক্ষিপ্ৰতাৰে লব লাগে ।

(সময়ৰ সংকেত)

মই কওঁ অকল ব্ৰহ্মপুত্ৰ কমিশ্যনৰ কাৰণে ৰৈ থাকিলে অসমৰ নৈ উপনৈবোৰ যেতিয়া বানপানীৰে ভৰি পৰিব তেতিয়া বানপানীৰ পৰিস্থিতি বিষম আকাৰ হব। যেতিয়া ১০ বছৰৰ পিচত ব্ৰহ্মপুত্ৰ কমিশ্যন সম্পূৰ্ণ হৈ উঠিব তেতিয়া আমাৰ অসমখন আৰু অসম হৈ নাথাকিব ই তললৈ যাব। E.&.D বিভাগে Control commisstion ৰ লগত সম্বনয় ৰাখি বানপানীৰ সময়ত ৰাইজক সাহাৰ্য্য দিবলৈ এটা Ready Team সাজু কৰি ৰাখিবলৈ অনুৰোধ জনাই মোৰ বক্তব্য সামৰনি মাৰিলো।

Shri Bhubaneswar Barman ঃ

মাননীয় অধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী মহোদয়ে যি Appropriation Bill আনিছে তাৰ ওপৰত বহু আলোচনাই হৈছে কিন্তু বিত্তমন্ত্ৰী মহোদয়ে কৈছে বাৰে বাৰে কলেও মই নুশুনো ।

Mr. Deputy Spearker :

তেখেতে সেইটো কোৱা নাই, তেখেতে কৈছে যে বিষয়টোৰ ওপৰত কব লাগে।

Shri Bhubaneswar Barman :

আমি সদস্য হিচাবে আমাৰ দায়িত্ব অনুযায়ী আপোনালোকে নুশুনিলেও আমি কৈ থাকিম । শিক্ষাৰ ক্ষেত্ৰত যিটো টকা দেখুৱা হৈছে সেইটো কেনেভাবে খৰচ হৈছে সেইটোহে মই শুধিব বিচাৰিছো ? শিক্ষাৰ ক্ষেত্ৰত যি খিনি টকা খৰচ হয় সেইটো নীতিগত ভাৱে খৰচ কৰা হোৱা নাই। আমাৰ যিবিলাক প্ৰাইমাৰী স্কুল আছে আৰু যি স্কুলক কেন্দ্ৰ কৰি দেশৰ ভবিষ্যত নাগৰিক গঢ়ি উঠিব সেই স্তৰক সদায়েই অৱহেলা কৰি আহিছে। স্কুল ঘৰ বিলাক ভাঙি-চিঙি যাব ধৰিছে অসমৰ গাৱে ভূঞে যি বিলাক ভঙা-চিঙা ঘৰ আছে সেইবিলাকেই হ'ল এই প্ৰাইমাৰী স্কুল। স্কুলবিলাকৰ মেৰামতিৰ কোনো আঁচনি লোৱা নাই, আনফালে ছাত্ৰ-অনুপাতে যিমান শিক্ষক দিব লাগিছিল সেইটো দিয়া হোৱা নাই । এজন শিক্ষকেই ১০০/১৫০ ছাত্ৰক পঢ়োৱাব লগিয়া হৈছে। এই বিষয়টোৰ প্ৰতিও যেন

চৰকাৰে মনোযোগ দিয়ে। আনফালে শিক্ষকৰ নিয়োগৰ ক্ষেত্ৰতো খেলিমেলি দেখা গৈছে। ১৯৬৩ চনতে চৰকাৰে কিছুমানক Teacher's Training দিছিল। সেইবিলাকক ইতিমধ্যে নিয়োগ কৰিব লাগিছিল। কিন্তু এতিয়ালৈকে দিয়া হোৱা নাই। মাত্ৰ মাজে মাজে circular দি আছে কিন্তু তেওঁলোকক একেবাৰে চাকৰি নিদিও বুলিও কোৱা নাই। সেইকাৰণে শিক্ষক সকলৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হৈছে। ১৯৬৪ চনতে যিবিলাক Matric বা under Matric এ Teacher Training দিছিল তেওঁবিলাকক নিযুক্তি দিয়া উচিত আছিল কিন্তু দিয়া হোৱা নাই আনফালে যিবিলাক স্কুলে Ad-hoc grant পাইছিল তেওঁবিলাককো Ad-hoc grant দিয়া নাই। চৰকাৰে কৈছে শিক্ষা সম্প্ৰসাৰণ কৰিম কিন্তু আমি প্ৰকৃততে দেখিলো চৰকাৰে স্কুলবিলাক ভাঙি-চিঙি যোৱাৰ ব্যৱস্থাহে কৰিছে। স্কুল বিলাক ভাঙি চিঙি গৈ যি কেইখন ৰব সেইকেইখনহে চৰকাৰে লোৱাৰ ইচ্ছা কৰিছে। কিন্তু সেইটো হব নোৱাৰে শিক্ষাৰ বাবে ৰাইজৰ স্কুল পাতিবলৈ অধিকাৰ আছে আৰু ৰাইজে পাতিবই। কিন্তু ৰাইজক কষ্ট দিয়াৰ অধিকাৰ চৰকাৰৰ নাই। জনসাধাৰণক শিক্ষা দিয়া দায়িত্ব চৰকাৰৰেই। আন এটা কথা শ্বিংলৰ শংকৰ দেৱ কলেজৰ যিটো বিজ্ঞান শাখা আছিল সেইটো হঠাৎ বন্ধ কৰি দিয়া হ'ল তাত যথেষ্ঠ টকা খৰচ কৰিছিল। লাখ লাখ টকাৰ যন্ত্ৰ পাতি কিনা হৈছিল। যদি কলেজ খনৰ বিজ্ঞান শাখা খুলিবৰ বাবে অৰ্হতা নাছিল সেই শাখাটো কিয় খুলিবলৈ দিয়া হৈছিল এই শাখাটো বন্ধ কৰি দিয়াৰ কিবা ৰহস্য আছে বুলি শুনিবলৈ পোৱা যায়। মই বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যেন বিজ্ঞান শাখাটো পুনৰ খোলা হয়। আনহাতেদি বানপানীৰ বিষয়ে মিঃ শৈলেন মেধি ডাঙৰীয়াই যি কৈছে তাত মই একমত। যদি বানপানীৰ প্ৰতিৰোধৰ ব্যৱস্থা ক্ষিপ্ৰতৰ গতিত নকৰে দেশৰ অৱস্থা শোচনীয় হব। কিন্তু আমি যি বুজিছো চৰকাৰে বানপানী অহালৈহে বাট চাই আছে কাৰণ তেতিয়াহে ক্ষতিগ্ৰস্ত লোকক সাহাৰ্য্য দি ভোট কেইটা লব পাৰিব। মই বাননিয়ন্ত্ৰন মন্ত্ৰীক অনুৰোধ জনাও যেন এই বিষয়টোৰ প্ৰতি তীক্ষ্ম দৃষ্টি দিয়ে। মোৰ বহুত কথাই কব লগীয়া আছিল কিন্তু সময়ৰ অভাৱতে ইমানকে কলো।

Shri A.N. Akaam Hossain :

মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ এই জুৰুলা অৱস্থাত বিত্তমন্ত্ৰীয়ে যি

appropriation বিল আনিছে তাক বৰা ডাঙৰীয়াই কোৱা মতে Mis-appropriation বিল বুলিয়েই কব পাৰি। মই বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খোজো বানপানীয়ে মঠাঁউৰী ভঙ্গা আৰম্ভ কৰাৰ আগতেই আৰু বাৰিষাৰ আগতে যদি কাম আৰম্ভ নকৰে তেনেহলে বানপানীৰ সমস্যাই বিষম আকাৰ ধাৰণ কৰিব। শুনা যায় বানপানী হলে E&D, Enginecr সকলৰ "বিহু" আৰম্ভ হয়। মঠাঁউৰী ভাঙিলে হেনো E.&.D. বিভাগৰ ইঞ্জিনিয়াৰ আৰু শ্বিলংবাসী উক্ত বিভাগৰ বিষয়া সকলৰ "বিহু" আৰম্ভ হয়। গতিকে তেখেত সকলক আমি দোষাৰোপ নকৰো, দোষাৰোপ কৰিব ভগবান আৰু ৰাইজে। কিন্তু মই বিত্তমন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰো যেন বান নিয়ন্ত্ৰণৰ কাম মঠাঁউৰী বন্ধাৰ কাম খৰালীৰ আগে আগে আৰম্ভ আৰু শেষ কৰে। মোৰ এইটো অনুৰোধ।

শিক্ষাৰ বিষয়ে বহুতো আলোচনাই হল। শিক্ষা বিভাগৰ ফালৰ পৰা যিবিলাক grant দিয়া হয় সেই grant ত পক্ষপাতিত্ব আছে। যিবিলাক ঘাটি মঞ্জুৰী নোপোৱা কলেজ আছে তেওঁলোকক আৰু ঘাটি মঞ্জুৰী দিয়া নহব বুলি জনাইছে। কিন্তু এইফালৰ পৰা দেখা যায় যে কিছুমান যোগ্যতা নোহোৱা কলেজেও মঞ্জুৰী পাইছে। ১৯৬৯ চনত কেইবাখনো কলেজে ঘাটি মঞ্জুৰী পাইছে। ঘাটি মঞ্জুৰী পাবলৈ এখন উন্নত অঞ্চলৰ কলেজত ছাত্ৰ-ছাত্ৰী লাগে ৩৫০ জন আৰু অনুন্নত অঞ্চলত ১৫০ জন। ছাত্ৰ-ছাত্ৰী থাকিলে ঘাটি মঞ্জুৰী পায়। মই বিত্তমন্ত্ৰী মহোদয়ক Challenge কৰিছো তেখেতে এটা অনুসন্ধান কমিটি কৰি দিয়ক মই প্ৰমান কৰি দিমযে য'ত অনুন্নত ঠাই আছে আৰু ৩০০/৩৫০ জন ছাত্ৰ-ছাত্ৰী আছে তাতো ঘাটি মঞ্জুৰী পোৱা নাই আৰু উন্নত ঠাইত য'ত ১৫০ জন ছাত্ৰ-ছাত্ৰী আছে আৰু অনুন্নত অঞ্চলৰ কলেজ যত মাত্ৰ চাৰি ৩ জন ছাত্ৰ তাতো ঘাটি মঞ্জুৰীপাইছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে ৰাজনৈতিক দলীয় স্বাৰ্থৰ হেচাত এনেকুৱা দূৰ্নীতি মূলক পথ গ্ৰহণ কৰিছে। গতিকে উপাধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে বিত্তমন্ত্ৰীক অনুৰোধ কৰো যেন তেখেতে এটা কমিটি কৰি কথাটো অনুসন্ধান কৰে।

(সময়ৰ সংকেত)

উপাধ্যক্ষ মহোদয়, পুলিচ বিভাগৰ কথা সংক্ষিপ্ত ভাৱে কওঁ। যোৱা বাজেট অধিবেশনত আমি পুলিচ বিভাগক সহানুভূতি দেখুৱাইছিলো।

(সময়ৰ সংকেত)

কিন্তু বৰ্ত্তমান নগাসীমান্তত পুলিচ বৰ অকামিলা হৈ পৰিছে। শিৱসাগৰ জিলাৰ শিমলুগুৰিৰ P.W.D. ত কাম কৰা কৰ্ম্মচাৰী সকলে কাম কৰি থাকোতে সশস্ত্ৰ নগা, পুলিচ বাহনীয়ে আক্ৰমন কৰিছিল তাত বহতো কৰ্ম্মচাৰী আহত হৈছে কিন্তু দুৰ্ভাগ্যৰ কথা। আমাৰ অসমৰ পুলিচ বাহিনী তাৰ পৰা পলাল। গতিকে এই বিভাগটো আৰু কিছু re-organise কৰিব লাগে।

( সময়ৰ সংকেত )

জেল বিভাগৰ কথা কওঁ তাত T.B. বেমাৰীৰ লগত অন্য কয়দীসকলক একেলগে থাকিবলৈ দিয়া হয়। ফলত তেওঁলোক খালাচ হৈ যোৱাৰ পিচত প্ৰায়ে T.B. বেমাৰী হোৱা দেখা যায়। খাদ্যৰ টো কথাই নাই। যিখিনি সৰবৰাহ হয় তাৰ আধা কাটি বজাৰতে থাকি আছে। সিদিনা খবৰ কাগজত পাইছোঁ গুৱাহাটী জেলত দুজন কয়দী খাদ্য নাপায় প্ৰতিবাদ কৰি গছৰ ওপৰত বহি অনশন কৰিছিল। তাৰ পিচত Fire Brigade আনি বোকামাৰিহে তেওঁলোকক গছৰ পৰা নমাইছে। গতিকে এই বিলাকৰ প্ৰতি চৰকাৰে দৃষ্টি দিব বুলি আশা কৰিলো।

ডঃ সুৰেন্দ্ৰ নাথ দাস :

উপাধ্যক্ষ মহোদয়, Appropriation bill ত অংশ গ্ৰহণ কৰি মই দুটামান পৰামৰ্শ আগবঢ়াব খুজিছো। আমাৰ বিত্তমন্ত্ৰী মহোদয়ে চেলট্ৰেবচ ত যি বিলাক অফিচাৰ আছে সেই অফিচাৰ সকলক কামত কিছু দূৰ্যোগ থকাটো অনুসন্ধান কৰিব লাগে। যিবিলাক গাওঁত দোকান আছে তাত Inspector বিলাক গৈ ঘথে মথে টকা লোৱাৰ প্ৰমাণ আমাৰ হাতত বহুত আছে। গতিকে মই কও যিবিলাক Registered farm আছে তাত এতিয়া যিমান কৰ ৰহুৱাইছে তাতকৈ দাবুল কৰিলেও দিয়াত ৰাজি আছে যদিহে এই অফিচাৰ সকলে তেওঁলোকক অন্যপ্ৰকাৰে অত্যাচাৰ নকৰে। মই এটা নিৰ্ঘাট সত্য উদাহৰণ দিছো। আমাৰ হাউলী আৰু বৰপেটা ৰোডট যিবিলাক দোকান আছে তাত Inspector গৈ ১০০, ২০০ শ টকা Openly লৈ আছে। এতিয়া তাত কেইখনমান গাওঁ পঞ্চায়ত সভাপতিয়ে লগ হৈ এই কথাটো অনুসন্ধানৰ কাৰণে দোকানতগৈ বহি থাকে। এনেকৈ এখন দোকানত এটা case ধৰা

পেলাইছিল। তাৰ পিচত বহুতো মানুহে আহি খবৰ দিলেহি যে মই বিচাৰকৰি কৰি দিব লাগে। মই তেতিয়া Civil S.D.O. অক খবৰ দিলো তেখেতে গা অসুখৰ কাৰণে আহিব নোৱাৰো বুলি কলে আৰু D.S.P ক পঠাম বুলি কলে। D.S.P. নাহি O.C. ক পঠালে তেতিয়া গাওঁৰ মানুহে সেই ঠাইতে Inspector অক খানা টালাচ কৰিবলৈ ধৰিলে তেতিয়া কলে যে গেজেটেড অফিচাৰক আমি খানা টালাচ কৰিব নোৱাৰো আমি গাড়িত S.D.O. অৰ ওচৰলৈ লৈ যাও। তেতিয়া ৰাইজে পিয়ন জনক খানা টালাচ কৰিবলৈ ধৰিলে। পিয়নজনক খানা টালাচ কৰাত ৮০০ শ/৯০০ শ টকা পালে। তেতিয়া এই case টো S.D.O. অক দিলো।

( সময়ৰ সংকেট )

তাৰ পিচত বৰপেটা ৰোডতে মাৰোৱাৰী এজন আহি কলে যে, আপোনালোকক কলেজৰ কাৰণে ১৫ হাজাৰ টকা দিয়া হব আপোনালোকে case টো উঠাই লওক। গম পালো যে তেওঁ কাগজ পাতি সকলো cease কৰিছে।

তাৰ পিচত বানপানী সম্পৰ্কত কওঁ যে, নলবাৰী মহকুমাত যদি কোনো মন্ত্ৰীয়ে Flag নোলোৱাকৈ আৰু ভেশছন ধৰি চাব পাৰে তেন্তে দেখিব ইমান দিনে কোনো কামেই নলবাৰী মহকুমাত হোৱা নাই। ১০ কোটি ৮০ লাখ টকাৰ খৰছ কৰা দেখুৱাইছে যদিও কামত একো হোৱা নাই। গতিকে এনে অপব্যয় বিলাক বন্ধ কৰিবলৈ মই চৰকাৰক দাবী জনাওঁ আৰু বিভাগীয় টকা বিলাক যাতে ঠিকমতে কামত খৰছ কৰে সেইটো চাবলৈ চৰকাৰক দাবী জনাই কওঁ যে এই ৰাজহুৱা টকা এনে ভাৱে খৰছ কৰিলে পাপত ভূগিব লাগিব। ইয়াকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

Shri Kamakhya Prasad Tripathi ( Minister Finance) :

Sir, the discussion on this Appropriation Bill has become very wide, Practically it has turned into budget debate. The matter which has been placed before the House by the hon'Member is very interesting and very important and also it would have been very helpful if the discussions would have taken place before the concerning Ministers.

In that case they could have taken appropriate steps in the light of the discussions, For instance, there was discussion on education. We have provided the money but the distri -bution of the same will be made by the Department concerned.

শ্ৰীভুবনেশ্বৰ বৰ্মন : অসমীয়াতে কব লাগে।

শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠী।

মাননীয় সদস্যসকলে কোৱা কথা বিলাক যথোপযুক্ত আৰু প্ৰয়োজনীয় কথা।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :

উপাধ্যক্ষ মহোদয়, আমাৰ বিত্তমন্ত্ৰী মহোদয়ে ইমান ধুনীয়া কথা কব পাৰে যে আমাৰ ভাব হৈছে আমি কোৱা কথাবিলাক অন্তৰত সোমাই গৈছে আৰু সেইমতে কামো কৰিছে। আমাৰ অসমীয়াত এটা কথা আছে যে "মুখত বাবাজী....", আৰু বাকীখিনি মই নকওঁ।

শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠী :

পৰম্পৰে পৰম্পৰক আক্ষেপ দি কথা কলে ভাল গণতন্ত্ৰ কৰা নহয়। মইও অনুভৱ কৰিছো যে মাননীয় সদস্যসকল খুব ভাল। শিক্ষা বিভাগ আৰু বান - নিয়ন্ত্ৰন বিভাগ সম্পৰ্কত বহুত কথাই মাননীয় সদস্য সকলে কৈছে কিন্তু এইবিলাক বাজেট সম্পৰ্কত কোৱা কথাহে আছিল। যিহেতু বাজেট আলোচনাৰ সময়ত মন্ত্ৰী সকল উপস্থিত থাকে গতিকে তেওঁলোকে উত্তৰ দিয়াত সুবিধা হ'লহেতেন। কিন্তু মন্ত্ৰীসকল নথকা অৱস্থাত নাইবা এই সম্পৰ্কীয় কথা নুঠিলে এইবিলাক কথা কৈ কোনো লাভ নহয় বুলি ভাবো। মই কেৱল টকাখিনিহে দিব লাগে। তাৰ পিচত টকা ক'ত খৰছ হয় বা কেনেকৈ খৰছ কৰে সেইটো মাননীয় সদস্য সকলকহে সোধে কিন্তু মোক নোসোধে।

On the first of April, the Finance Minister is the poorest man and the concerning Minister become rich bec- ause the money goes to their pockets.

গতিকে এই টকা খিনি কাইলৈ বা পৰহিলৈ মই দি দিব লাগিব ।

বাজেট আলোচনাত In details আলোচনা কৰিলে বিভাগীয় মন্ত্ৰীয়ে শুনিব পাৰে সেই মতে উত্তৰ দিব পাৰে আৰু যথাযথ কামো কৰিব পাৰে।

যদিহে বেছি সময় পালেহেতেন তেন্তে প্ৰয়োজনীয় কথাবোৰ কব পাৰে বুলি প্ৰেম বৰা ডাঙৰীয়াইও কৈছে; কিন্তু মই ভাবো কম সময়তহে প্ৰয়োজনীয় কথাবোৰ কোৱা হয়। Time limit নাথাকিলে বহুত অপ্ৰয়োজনীয় কথাও কোৱা যায়। গতিকে সময় থকা আলোচনা কৰি কোনো লাভ নহয়। তত্-কালিন আলোচনাতহে সম্পূৰ্ণ লাভ আছে।

আজি জনসাধাৰণৰ সম্পৰ্কত অনেক প্ৰশ্নই তুলিছে। মাননীয় সদস্যসকলে বোধহয় জানে যে, কেন্দ্ৰৰ পৰা এটা team আহিছিল আৰু ৫ কোটি ৭৯ লাখ টকা grant কৰিছিল। তাৰ ভিতৰত ১ কোটি ৩৩ লাখ টকা সাহাৰ্য্য আছিল। এতিয়া ৪ কোটি ৪৬ লাখ টকা ধৰা হৈছে আৰু তাৰে ভিতৰত ২½ কোটি টকা বাননিয়ন্ত্ৰন আৰু ক্ষুদ্ৰ জলসিঞ্চনত ধৰা হৈছে। মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে ইতিমধ্যে ৩ কোটি টকা loan আহিব।

( এটি স্বৰ: Electricity ৰ নিচিনা নেকি ? )

আপোনাক Electricity ৰ ভূটে ধৰা যেনহে পাইছোঁ। আচলতে বান-নিয়ন্ত্ৰনৰ কাৰণে এইখিনি টকা নগন্য কিন্তু আমি যি টকা খৰছ হোৱা নাছিল তাৰে Divert কৰি কিছু টকা দিছো। ইয়াৰে ভিতৰত বহুতো মাননীয় সদস্যই কৈছে যে, বহুত unpaid Bill আছে যিবিলাকতো টকা দিব লাগিব।

মোৰ বোধেৰে বান নিয়ন্ত্ৰণটো ডাঙৰ সমস্যা হব। যিখিনি টকা দিয়া হৈছে সেইখিনি টকাৰে একোৱেই নহয়।

Shri Dulal Chandra Barua :

মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যিমান প্ৰকৃততে টকা লাগে, নেই টকাটো ক'ত কেনেকৈ খৰছ হব, সেই কথা বিত্ত বিভাগৰ কৰ্ম্মকৰ্ত্তা সকলে বা বান-নিয়ন্ত্ৰণৰ কৰ্ম্মকৰ্ত্তাসকলে নাজানে। সেই কাৰণে এইটোত নীতিগতভাৱে আপত্তি কৰিছো। কাৰণ সেই পইচাৰে কোনো কামত নাহে।

Shri Kamakhya Prasad Tripathi :

যদি কয় মই উঠাই লব পাৰো। মই তৎক্ষণাৎ Education বিভাগলৈ divert কৰিবৰ কাৰণে ৰাজী আছো।

Shri Dulal Chandra Barua :

Appropriation Bill খন withdraw কৰি লব লাগে।

Shri Kamakhya Prasad Tripathi :

যিটো পাচ কৰিছে Finance Minister এ withdraw কৰিব নোৱাৰে। মই agent মাত্ৰ। আপোনালোকে যিটো পাচ কৰি দিছে তাক withdraw কৰাৰ মোৰ অধিকাৰ নাই। সেই কাৰণে difficulty হৈছে। মাননীয় সদস্যই জানে যে বান নিয়ন্ত্ৰণ Planning Commission ৰ লগত ব্যক্তিগত ভাৱে আলোচনা কৰিছিলো। তেখেতে কলে যে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰাটো আমাৰ ক্ষমতাৰ বাহিৰত। বাহিৰৰ পৰা যিবিলাক বিশেষজ্ঞ আহিছে তেখেত সকলে কৈছে যে বছৰি আঢ়ৈ কোটি টকা খৰছ কৰিব পাৰে; কিন্তু তাৰ দ্বাৰা বিশেষ উপকৃত নহব। গতিকে Planning Commission এ কলে যে চেষ্টাৰ একো কৰিব নোৱাৰে। এতিয়া Planning কমিচনা আৰু Deputy Chairman এ কলে যে এইটো ক্ষমতাৰ বাহিৰত। তেতিয়া মই Chief Engineer ক মাতি কলো এইটো ক্ষমতাৰ বাহিৰৰ বুলি কৈছে। তেখেতে কলে যে আমাৰ যিটো Embankment আছে সেইটো শক্তিশালী কৰি তুলিবৰ কাৰণে প্ৰায় এক কোটি টকা লাগিব। তেতিয়াও embank ment টো full protective নহব। ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰনত হাজাৰ হাজাৰ কোটি টকা খৰছ হব কিন্তু কামত নাহিব। সেই পৰামৰ্শ অনুযায়ী কুমৰাই আঁচনি দিছে যে সেইটো ক্ষমতাৰ বাহিৰত। গতিকে ভাৰত চৰকাৰৰ পৰা যিটো জানিব পাৰিছো যে ২/৫/৭ কোটি টকা বছৰি খৰছ কৰিও এই নিয়ন্ত্ৰণ কৰিব নোৱাৰি। গতিকে বছৰি সেইখিনি টকা এনেই নষ্ট হব। মাননীয় সদস্যই কৈছে যে Corruption কেনেকৈ সোমাইছে। বছৰি বছৰি ভঙা কামবোৰ কৰাত Corruption বাঢ়ি যোৱাত কোনো সন্দেহ নাই। গতিকে মোৰ বোধেৰে মূখ্যমন্ত্ৰী আহিব, তেখেতে এই বিষয়ে বিবেচনা কৰিব। মোৰ বোধেৰে বিজ্ঞান

সন্মত পদ্ধতিত ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰাত যাতে আগবাঢ়িব পৰা যায় তাৰ বিষয়ে যত্ন কৰিম ।

শিক্ষাৰ বিষয়ত এইটো কথা ঠিক যে শিক্ষাৰ কাৰণে যিমান টকা লাগে সেই খিনি টকা অদূৰ ভৱিষ্যতেও পোৱাৰ সম্ভাৱনা নাই। প্ৰাইমেৰী শিক্ষা ২য় পৰিকল্পনাত শতকৰা ৮০ ভাগ লৰা-ছোৱালীক শিক্ষা দিয়াৰ কথা আছিল আৰু ৩য় পৰিকল্পনাত শতকৰা ৮৩ ভাগ কৰাৰ কথা আছিল। কিন্তু এতিয়া ৪ৰ্থ পৰিকল্পনাও শেষ হবৰ হ'ল আমি সেই লক্ষ্যত উপনীত হব নোৱাৰিলো। ছাত্ৰ সংখ্যা বাঢ়ি গৈছে আৰু জনসংখ্যা বাঢ়ি গৈছে ।

( এটি স্বৰঃ চেষ্টা কৰিছে নে নাই ? )

চেষ্টা কৰি আছো। কিন্তু শিক্ষকৰ সংখ্যা বাঢ়িছে

(এটি স্বৰ ঃ মন্ত্ৰীৰ সংখ্যাও বাঢ়িছে)

আমাৰ যিটো লক্ষ্য আছিল তাৰ ওচৰ চাপিব পৰা নাই। কাৰণ জন সংখ্যা বাঢ়ি গৈছে ।

**Shri A.N. Akram Hussain :**

শিক্ষাৰ প্ৰতি ধাউতি হোৱাটো অমঙ্গলজনক নেকি ?

**Shri Kamakhya Prasad Tripathi :**

মাননীয় সদস্যই ভুল ব্যাখ্যা কৰি লাভ নাই। মাননীয় সদস্যই জানে যে আমাৰ resource limited গতিকে আমি সম্বলৰ পিনৰ পৰা আগবাঢ়িছো।

**Shri Bhubaneswar Barman :**

গুৱাহাটীৰ এখন প্ৰাইমেৰী স্কুলক ৬ লাখ টকা দিব পাৰে, অথচ গাৱঁৰ প্ৰাইমেৰী স্কুলক ৬ লাখ টকা দিব নোৱাৰে।

**Shri Kamakhya Prasad Tripathi :**

শিক্ষক সকলক মাহিলী দৰমহা দিব লাগে। গতিকে State Budget সম্প্ৰসাৰিত হব। গতিকে শিক্ষকৰ কাৰণে হোৱা খৰছ বহন কৰিব পাৰিব লাগিব। বছৰি বছৰি Capital grant যিটো স্কুলবোৰত বিতৰণ কৰা হয়, সেইক্ষেত্ৰে খৰছ নোহোৱা টকা খিনিহে বিতৰণ কৰা হয়। মাননীয় সদস্যই বাৰে বাৰে মন্ত্ৰীৰ

কথা কৈ থাকে। United Front Govt. হলে মন্ত্ৰী কম হব সেইটো নহয়।

Shri Promode Chandra Gogoi :

যুক্ত ফ্ৰণ্ট চৰকাৰত কতো ইমান মন্ত্ৰী নাই। কেৰালাত যুক্ত ফ্ৰণ্ট হৈছে তাত মন্ত্ৰী মাত্ৰ ৯জন। পশ্চিম বঙ্গত যুক্তফ্ৰণ্ট হৈছিল আৰু ১৫ জন মন্ত্ৰী আছিল।

Shri Kamakya Prasad Tripathi :

মাননীয় সদস্যই অলপ বুজি চাব। অকল ৯জন মন্ত্ৰীৰ কথা কলেই নহব। কিন্তু আমাৰ ইয়াত নহয়।

(এটি স্বৰ : আৰু দুজন লব নোৱাৰি নে ?)

মাননীয় সদস্যই অনুমতি দিলে সমৰ্থন কৰিব পাৰো। তাৰ পিচত Tax বিভাগৰ দূৰ্নীতিৰ কথা কৈছে।

Shri Bhubaneswar Barman : শঙ্কৰদেৱ কলেজৰ কি হ'ল ?

Shri Kamakhya Prasad Tripathi :

সেইটো কব নোৱাৰিলো। মন্ত্ৰীয়েহে জানে। অতীতৰ ৰহস্য জানিব নোৱাৰি। এতিয়া মাননীয় সদস্যই যিটো Tax ৰ বিষয়ে কলে সেইটো অনুসন্ধান কৰি চাম, তাত কিনো হৈছিল ?

Shri A. N. Akram Hussain :

তিতাবৰত ৪০০ জন ছাত্ৰ আছিল অথচ grant পোৱা নাই। আৰু এখন কলেজত ৩৫০ জন ছাত্ৰ আছে তাতে grant পাইছে। এইবিলাকত বহুত দুৰ্নীতি আছে।

Shri Kamakhya Prasad Tripathi :

মাননীয় সদস্যই যিটো প্ৰশ্ন দিছে সেইটো মন্ত্ৰী হৈ তুলিছিলো। কিন্তু এতিয়া Finance minister হৈও হাৰি গলো। গতিকে তদন্ত কৰি লাভ নাই। অতীতক সংশোধন কৰিব নোৱাৰিলে ভৱিষ্যৎ নিৰ্ম্মান কৰাই ভাল।

(এটি স্বৰ : অতীতক যোৱাহে পাহৰি )

অতীত কঠোৰ ভাঙিব নোৱাৰো। মই আৰু আগ নাবাঢ়ো।

Mr. Deputy Speaker :

Now, the question is that the Assam Appropriation (No 1) Bill, 1971 be taken into consideaation.

(After a pause)

You have been given utmost latitude and allowed to discuss the matter although some matters which are not related to the Bill were discussed.......

(The House divided)

( Division was taken by asking the members to rise in their seats )

Mr. Deputy Speaker :

Ayes 37 Noes 22. The Motion is adopted. Now, as far as 'C' is concerned there is no amendment to the clauses. So, I put all the clauses together. The question that clauses.…

Shri Dulal Chandra Barua :

Sir, about the extension of the time you should take the consent of the House. It is 4.30 already.

Shri Sailen Medhi :

There is a point of order. The House is to rise at 4.30. If the House is to be extended then the sense of the House should be taken. Unlese this is done the time cannot be extended.

Mr. Deputy Speaker :

The consent of the House has already been taken. The hon, members will kindly remember that the time allotted

for discussion was upto 4 O'clock and upto 4.30 the reply by the Minister. Discussion on stages has been agreed to by the House and after that the question will be put. That was decided earlier. The House has given approval to that. Now, there is no amendment to 'C'. Mr. Tripathi will····.

Shri Kamakhya Prasad Tripathi :

I beg to move that the Assam Appropriation (No. 1) Bill 1971 be passed.

Shri Dulal Chandra Barua :

Sir, you were kind enough to fix the time only for this particular item and not for any other thing.

Shri Deputy Speaker :

I have announced it already and with the consent of the House that was declared

(Voices : No consent was taken)

Mr. Deputy Speaker :

Everybody said'yes' and nobody said No. The question is that the Assam Appropriation Bill No. (1) be passed. Those who are for Ayes will take their stand.

Shri Dulal Chandra Barua :

We are not taking our stand. We press for going into the lobby.

(The House divided)

Mr. Deputy Speaker :

Order, Order. The result of the division is like this—

Ayes – 36

Noes—24

The motion is adopted and the Bill is passed.

The House stands adjourned till 9 A. M. tomorrow.

(The House rose at 4.45 P.M.)

## ADJOURNMENT

The Assembly then adjourned till 9 A.M. on Friday, the 19th March 1971.

U. Tahbildar,
Secretary
Legislative Assembly, Assam.

Shillong,
The 18th March 1971